ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# বাগিচা শ্ৰম অধিনিয়ম, ১৯৫১

( ১৯৫১ চনৰ ৬৯ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Plantations Labour Act, 1951

( Act No. 69 of 1951 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান বাগিচা শ্ৰম অধিনিয়ম, ১৯৫১ (১৯৫১ চনৰ ৬৯ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ২৪-৪৮ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Plantations Labour Act, 1951 (69 of 1951) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 24 - 48.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# বাগিচা শ্রম অধিনিয়ম, ১৯৫১

ধাৰাসমূহৰ বিন্যাস

## অধ্যায় - ১

### প্ৰাৰম্ভিক

ধাৰাসমূহ ঃ-

১। সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰাৰম্ভ আৰু প্ৰয়োগ।
২। পৰিভাষা।
৩। দিনৰ সময়ৰ প্ৰতি নিৰ্দ্দেশ।

## অধ্যায় - ১ক

### বাগিচাসমূহৰ পঞ্জীয়ন

৩ক। পঞ্জীয়ন পদাধিকাৰী সকলৰ নিযুক্তি।
৩খ। বাগিচাসমূহৰ পঞ্জীয়ন।
৩গ। পঞ্জীয়ন পদাধিকাৰীৰ আদেশৰ বিৰুদ্ধে আপীল।
৩ঘ। নিয়মাবলী প্ৰণয়নৰ ক্ষমতা।

## অধ্যায় - ২

### পৰিদৰ্শক কৰ্মচাৰী বৃন্দ

৪। মুখ্য পৰিদৰ্শক আৰু পৰিদৰ্শকসকল।
৫। পৰিদৰ্শকসকলৰ ক্ষমতা আৰু কৃত্যসমূহ।
৬। পৰিদৰ্শকসকলক দিবলগীয়া সা-সুবিধাবিলাক।
৭। প্ৰমাণকৰ্ত্তা শল্য চিকিৎসক।

## অধ্যায় - ৩

### স্বাস্থ্য সম্বন্ধে উপবন্ধসমূহ

৮। খোৱা পানী।
৯। পৰিষ্কাৰ পৰিচ্ছন্নতা।
১০। চিকিৎসা বিষয়ক সা-সুবিধাসমূহ।

অধ্যায় - ৪
কল্যাণ

১১। কেন্টিন।
১২। শিশু কক্ষ।
১৩। বিনোদন সম্বন্ধীয় সা-সুবিধাসমূহ।
১৪। শিক্ষা সম্বন্ধীয় সা-সুবিধাসমূহ।
১৫। আবাস গৃহৰ সুবিধাসমূহ।
১৬। আবাস গৃহ সম্বন্ধে নিয়মাবলী প্ৰণয়ন কৰিবলৈ ক্ষমতা।
১৬ক। নিয়োজকৰ দ্বাৰা ব্যৱস্থিত কৰা ঘৰ ভাঙি পৰাৰ পৰিণামত দুৰ্ঘটনা সম্পৰ্কত নিয়োজকৰ দায়িত্ব।
১৬খ। আয়ুক্ত সকলৰ নিযুক্তি।
১৬গ। ক্ষতিপূৰণৰ বাবে আবেদন পত্ৰ।
১৬ঘ। প্ৰক্ৰিয়া আৰু আয়ুক্তৰ ক্ষমতাসমূহ।
১৬ঙ। ক্ষতিপূৰণ ইত্যাদি প্ৰদান কৰাৰ দায়িত্ব আয়ুক্তই বিনিশ্চয় কৰিব।
১৬চ। কিছুমান নিৰ্দিষ্ট অধিকাৰ সম্বন্ধে ব্যাবৃত্তি।
১৬ছ। নিয়মাবলী প্ৰণয়নৰ ক্ষমতা।
১৭। আন সা-সুবিধাসমূহ।
১৮। কল্যাণ পদাধিকাৰীসকল।

অধ্যায় - ৫

নিয়োজনৰ সময় আৰু তাত নিৰ্বন্ধন

১৯। সাপ্তাহিক সময়।
২০। সাপ্তাহিক অৱকাশ।
২১। বিশ্ৰামৰ বাবে দৈনিক বিৰতি।
২২। বিস্তৃতি।
২৩। কামৰ কালছোৱাৰ সূচনা।
২৪। [ বিলোপিত ]
২৫। নাৰী আৰু ল'ৰা ছোৱালীৰ বাবে নিশাৰ কাম।
২৬। অপ্ৰাপ্তবয়স্ক শ্ৰমিক বিলাকে প্ৰতীক লৈ থাকিব।
২৭। যোগ্যতাৰ প্ৰমাণ পত্ৰ।
২৮। স্বাস্থ্য পৰীক্ষা অপেক্ষিত কৰাৰ ক্ষমতা।

অধ্যায় - ৬

মজুৰিসহ ছুটী

২৯। এই অধ্যায়ৰ প্ৰয়োগ।
৩০। মজুৰিসহ বাৰ্ষিক ছুটী।
৩১। ছুটীৰ কালছোৱাত মজুৰি।
৩২। ৰুগ্নতা আৰু প্ৰসূতিৰ সুবিধাসমূহ।

## অধ্যায় - ৬ক

### দুৰ্ঘটনা সমূহ

৩২ ক৷ দুৰ্ঘটনাৰ সূচনা।
৩২ খ৷ দুৰ্ঘটনাসমূহৰ পঞ্জী।

## অধ্যায় - ৭

### দণ্ড আৰু প্ৰক্ৰিয়া

৩৩৷ বাধাদান।
৩৪৷ যোগ্যতাৰ মিছা প্ৰমাণ পত্ৰৰ ব্যবহাৰ।
৩৫৷ শ্ৰমিকৰ নিয়োজন সম্পৰ্কে উপবন্ধসমূহৰ উলঙঘন।
৩৬৷ আন অপৰাধসমূহ।
৩৭৷ পূৰ্বে দোষী সাব্যস্ত হোবাৰ পিচত বৰ্দ্ধিত দণ্ড।
৩৭ক৷ ন্যায়ালয়ৰ আদেশ দিয়াৰ ক্ষমতা।
৩৮৷ কিছুমান ক্ষেত্ৰত দায়িত্বৰ পৰা নিয়োজকৰ অব্যাহতি।
৩৯৷ অপৰাধ বিলাকৰ সংজ্ঞান।
৪০৷ অভিযোজনৰ পৰিসীমা।

## অধ্যায় - ৮

### বিবিধ

৪১৷ নিৰ্দ্দেশ দিয়াৰ ক্ষমতা।
৪২৷ ৰেহাই দিয়াৰ ক্ষমতা।
৪৩৷ নিয়মাবলী প্ৰণয়ন কৰাৰ সাধাৰণ ক্ষমতা।

# বাগিচা শ্ৰম অধিনিয়ম, ১৯৫১

(১৯৫১ৰ ৬৯)[১]

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

[২ নবেম্বৰ, ১৯৫১]

বাগিচা সমূহত শ্ৰমিকৰ কল্যাণৰ উপবন্ধ কৰিবলৈ আৰু কামৰ চৰ্ত্তাৱলী বিনিয়মিত কৰিবৰ বাবে এখন অধিনিয়ম।

সংসদৰ দ্বাৰা তলত দিয়া ধৰণে অধিনিয়মিত হওক :-

## অধ্যায় - ১

### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰাৰম্ভ আৰু প্ৰয়োগ।

১। (১) এই অধিনিয়মখন বাগিচা শ্ৰম অধিনিয়ম, ১৯৫১ বুলি অভিহিত হব।

(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰততে হৈছে।

(৩) এইখন কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে নিয়ত কৰা তেনে তাৰিখৰ [২] পৰা বলবৎ হ'ব।

[৩](৪) এইখন নিম্নোক্ত বাগিচা বিলাকৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, অৰ্থাৎ—

(ক) চাহ, কফি, ৰবৰ, [৪] [চিনকোনা বা ইলাচী] উৎপাদনৰ বাবে ব্যৱহৃত হোৱা বা ব্যৱহাৰ কৰিবৰ অভিপ্ৰায়ে ৰখা [৪] [৫ হেক্টৰ ] বা অধিক পৰিমাণৰ ভূমি আৰু যত পূৰ্ববৰ্ত্তী বাৰ মাহৰ কোনো দিনত [পোন্ধৰ] জন বা ততোধিক ব্যক্তি নিয়োজিত হৈ থাকে বা হৈ আছিল তেনে কোনো ভূমিত ;

(খ) আন কোনো উদ্ভিদ উৎপাদনৰ কাৰণে ব্যৱহাৰ হোৱা বা ব্যৱহাৰৰ অভিপ্ৰায়ে ৰখা [৪] [৫ হেক্টৰ] বা অধিক পৰিমাণৰ আৰু যত পূৰ্ববৰ্ত্তী বাৰ মাহৰ কোনো দিনত [পোন্ধৰ] জন বা ততোধিক ব্যক্তি নিয়োজিত হৈ থাকে বা আছিল, তেনে কোনো ভূমিত যদি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন লোৱাৰ পিচত ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা তেনে নিৰ্দ্দেশ দিয়ে।

---

১। ১৯৬৩ চনৰ বিনিয়ম ৭ৰ ধাৰা ৩ আৰু অনুসূচী ১ৰ দ্বাৰা অধিনিয়মখন পণ্ডিচেৰীলৈ বিস্তৃত কৰা হৈছে।
২। ১ এপ্ৰিল, ১৯৫৪. ভাৰতৰ ৰাজপত্ৰ, ১৯৫৪, ২য় ভাগ, অনুভাগ ৩ পৃষ্ঠা ৫৩০ত ৬ মাৰ্চ, ১৯৫৪ এছ-আৰ ও ৮৮৩ চাওঁক।
৩। ১৯৬০ চনৰ অধিনিয়ম ৩৪ৰ ধাৰা ২ৰ দ্বাৰা পূৰ্বৰ উপধাৰা (৪)ৰ বাবে প্ৰতিষ্ঠাপিত (২১-১১-১৯৬০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।
৪। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

[1] [স্পষ্টীকৰণ— যি ক্ষেত্ৰত এই উপধাৰাৰ খণ্ড (ক) বা খণ্ড (খ) ত নিৰ্দ্দিষ্ট কোনো উদ্ভিদ উৎপাদনৰ বাবে ব্যবহৃত ৫ হেক্টৰতকৈ কম পৰিমাণৰ ভূমিখণ্ড তেনেদৰে ব্যবহৃত হৈ নথকা কিন্তু তেনেদৰে ব্যবহাৰ কৰিবৰ বাবে উপযুক্ত আন কোনো ভূমি খণ্ডৰ সংলগ্ন হয় আৰু এনে উভয় ভূমিখণ্ড একে নিয়োজকৰ পৰিচালনাধীন, তেনে ক্ষেত্ৰত এই উপধাৰাৰ উদ্দেশ্যসমূহৰ বাবে প্ৰথমেই উল্লিখিত ভূমি খণ্ড বাগিচা বুলি গণ্য হব, যদি সেই উভয় ভূমি খণ্ডৰ মুঠ ক্ষেত্ৰফল ৫ হেক্টৰ বা ততোধিক হয়।]

(৫) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে ঘোষণা কৰিব পাৰে যে এই অধিনিয়মৰ সকলোবোৰ বা কোনো উপবন্ধ উপধাৰা (৪)ৰ (ক) বা (খ) খণ্ডত নিৰ্দ্দিষ্ট কোনো উদ্ভিদ উৎপাদন কৰাৰ কাৰণে ব্যবহৃত হোৱা বা ব্যবহাৰৰ অভিপ্ৰায়ে ৰখা কোনো ভূমিৰ ক্ষেত্ৰত প্ৰযোজ্য হব, যদিও ই -

(ক) [2] [৫ হেক্তৰ] ৰ কম হয়, বা

(খ) তাত নিয়োজিত হোৱা ব্যক্তিসকলৰ সংখ্যা [2] [পোন্ধৰ] জনতকৈ কম হয় ঃ

পৰন্তু যি ভূমিৰ পৰিমাণ [৫ হেক্তৰকৈ কম হয় বা যত এই অধিনিয়মৰ প্ৰাৰম্ভৰ অব্যৱহিত পূৰ্বে [2] [পোন্ধৰ] জনতকৈ কম ব্যক্তি নিয়োজিত হৈছিল, তেনে কোনো ভূমিৰ সম্পৰ্কে এনে কোনো ঘোষণা কৰা নহব। ]

পৰিভাষা। ২ প্ৰসঙ্গত অন্যথা আবশ্যক নহলে, এই অধিনিয়মত, -

(ক) 'কিশোৰ' মানে [3] [চৈধ্য] বছৰ বয়স সম্পূৰ্ণ হোৱা কিন্তু ওঠৰ বছৰ বয়স সম্পূৰ্ণ নোহোৱা এজন ব্যক্তি ;

(খ) 'প্ৰাপ্ত বয়স্ক' মানে ওঠৰ বছৰ বয়স সম্পূৰ্ণ হোৱা এজন ব্যক্তি ;

(গ) 'শিশু' মানে [3] [চৈধ্য] বছৰ বয়স সম্পূৰ্ণ নোহোৱা এজন ব্যক্তি ;

(ঘ) 'দিন' মানে মাজ নিশাৰ পৰা আৰম্ভ কৰি চৌবিশ ঘন্টাৰ কালছোৱা ;

(ঙ) এখন বাগিচা সম্পৰ্কে যেতিয়া ব্যৱহৃত হয়, তেতিয়া "নিয়োজক" মানে বাগিচাৰ কাম-কাজৰ ওপৰত চূড়ান্ত নিয়ন্ত্ৰণ থকা ব্যক্তিজনক আৰু যি ক্ষেত্ৰত কোনো বাগিচাৰ কাম-কাজ বিলাক আন কোনো ব্যক্তিলৈ (তেওঁক পৰিচালনা অভিকৰ্ত্তা, পৰিচালক, অধীক্ষক বা আন কোনো নামেৰে অভিহিত কৰা হওক) ন্যস্ত কৰা হয় তেনেক্ষেত্ৰত এনে আন ব্যক্তিক সেই বাগিচাখন সম্পৰ্কে নিয়োজক বুলি বিবেচনা কৰা হ'ব।

[4] [(ঙঙ) কোনো কৰ্মী সম্পৰ্কে যেতিয়া ব্যবহৃত হয়, তেতিয়া পৰিয়াল মানে ঃ-

(i) তেওঁৰ বা তাইৰ স্ত্ৰী বা স্বামীক বুজায়, আৰু -

---

১। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃ স্থাপিত।
২। একে অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৩। ১৯৮৬ চনৰ ৬১ নং অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৪। ১৯৬০ চনৰ অধিনিয়ম ৩৪ৰ দ্বাৰা অন্তঃ স্থাপিত (২১-১১-১৯৬০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

(ii) ওঠৰ বছৰ বয়স সম্পূৰ্ণ নোহোৱা তেওঁৰ বা তাইৰ ওপৰত নিৰ্ভৰশীল, কৰ্মীৰ বৈধ আৰু দত্তক সন্তানবিলাক, আৰু কৰ্মীজন পুৰুষ হলে তেওঁৰ ওপৰত নিৰ্ভৰশীল তেওঁৰ পিতৃ মাতৃক অন্তৰ্ভুক্ত কৰে ; ]

[1] [(ঙঙঙ) "পৰিদৰ্শক" মানে ধাৰা ৪ৰ উপধাৰা (১) ৰ অধীনত নিযুক্ত বাগিচাসমূহৰ পৰিদৰ্শক আৰু সেই ধাৰাৰ উপধাৰা (১ক) ৰ অধীনত নিযুক্ত বাগিচাসমূহৰ অতিৰিক্ত পৰিদৰ্শকক অন্তৰ্ভুক্ত কৰে ; ]

[2] [(চ) "বাগিচা" মানে সম্পূৰ্ণৰূপে বা আংশিক ভাবে এই অধিনিয়ম প্ৰযোজ্য হোৱা কোনো বাগিচা আৰু এনে বাগিচাৰ সৈতে সম্বন্ধ থকা
কোনো উদ্দেশ্যে ব্যৱহৃত হোৱা কাৰ্য্যালয়, হাস্পাতাল, ১৯৪৮ ৰ ৬৩
ঔষধালয়, বিদ্যালয় আৰু আন কোনো প্ৰাঙ্গণ অন্তৰ্ভুক্ত কৰে, কিন্তু প্ৰাঙ্গণত থকা কোনো ফেক্টৰীলৈ যত ফেক্টৰী অধিনিয়ম, ১৯৪৮ৰ উপবন্ধবোৰ প্ৰযোজ্য হয় তেনে কোনো ফেক্টৰী অন্তৰ্ভুক্ত নকৰে ;]

(ছ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাবলীৰ দ্বাৰা বিহিত বুজায় ;

[3] [(জ) "অৰ্হতা সম্পন্ন চিকিৎসা ব্যৱসায়ী" মানে ভাৰতীয় চিকিৎসা ডিগ্ৰী অধিনিয়ম, ১৯১৬ৰ ৩ ধাৰাত বিনিৰ্দ্দিষ্ট বা অধিসূচিত বা ভাৰতীয় ১৯১৬ ৰ
চিকিৎসা পৰিষদ অধিনিয়ম, ১৯৫৬ৰ অনুসূচী বিলাকত বিনিৰ্দ্দিষ্ট ৭
এটা প্ৰাধিকাৰীৰ দ্বাৰা মঞ্জুৰ কৰা অৰ্হতা সম্পন্ন এজন ব্যক্তি আৰু কোনো প্ৰাদেশিক বা ৰাজ্যিক চিকিৎসা পৰিষদ অধিনিয়মৰ অধীনত ১৯৫৬ ৰ
মঞ্জুৰ কৰা প্ৰমাণ পত্ৰ থকা কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰে ; ] ১০২

(ঝ) "মজুৰি" নিম্নতম মজুৰি অধিনিয়ম, ১৯৪৮ৰ ২ ধাৰাৰ (জ) ১৯৪৮ ৰ
খণ্ডত ইয়াৰ ওপৰত আৰোপ কৰা অৰ্থ হয় ; ১১

(ঞ) "সপ্তাহ" মানে শনিবাৰৰ মাজ নিশাৰ পৰা বা সেই অঞ্চলৰ বাগিচা সম্পৰ্কে বিহিত কৰা এনে পৰামৰ্শৰ পিচত কোনো অঞ্চলৰ বাগিচাৰ প্ৰতি নিৰ্দ্দেশেৰে ৰাজ্য চৰকাৰে ধাৰ্য্য কৰা এনে আন নিশাৰ পৰা আৰম্ভ কৰি সাত দিনৰ কালছোৱা ;

[4] [(ট) "কৰ্মী" মানে ভাৰাত বা পাৰিতোষিকৰ বাবে প্ৰত্যক্ষ ভাবে বা আন কোনো অভিকৰ্ত্তাৰ জৰিয়তে হওক, নিপুণ, অনিপুণ, শাৰীৰিক বা কোনো কেৰাণীৰ কাম কৰিবলৈ এখন বাগিচাত নিয়োজিত হোৱা কোনো ব্যক্তি ; কিন্তু -

(i) বাগিচাত নিয়োজিত হোৱা চিকিৎসা পদাধিকাৰী ;

---

১ বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত ।
২ ১৯৬০ চনৰ ৩৪নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা খণ্ড (চ)ৰ বাবে প্ৰতিস্থাপিত (২১-১১-১৯৬০ৰ পৰা প্ৰভাৱী হোৱাকৈ) ।
৩ উপৰোক্ত অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা খণ্ড (জ)ৰ বাবে প্ৰতিস্থাপিত (২১-১১-১৯৬০ৰ পৰা প্ৰভাৱী হোৱাকৈ ) ।
৪ ১৯৬০ চনৰ ৩৪ নং অধিনিয়মৰ দ্বাৰা খণ্ড (ট)ৰ বাবে প্ৰতিস্থাপিত (২১-১১-১৯৬০ৰ পৰা প্ৰভাৱী হোৱাকৈ) ।

(ii) বাগিচাত নিয়োজিত হোৱা কোনো ব্যক্তি, চিকিৎসা বিষয়ক কৰ্মচাৰীবৃন্দৰ কোনো সদস্য অন্তৰ্ভুক্ত কৰি ) যাৰ মাহেকীয়া মজুৰি [1]সাতশ পঞ্চাশ টকা ]ৰ উৰ্দ্ধত ;

(iii) প্ৰাথমিক ভাবে পৰিচালকৰ সামৰ্থ্যত নিয়োজিত হোৱা কোনো ব্যক্তি, যদিওবা তেওঁৰ মাহেকীয়া মজুৰি [1] (সাতশ পঞ্চাশ) টকাৰ উৰ্দ্ধত নহয় ; বা

(iv) বাগিচাত ভৱন, পথ, দলং, নলা বা খালৰ নিৰ্মাণ, উন্নয়ন বা ৰক্ষণাবেক্ষণৰ সম্পৰ্কে কামত অস্থায়ী ভাবে নিয়োজিত হোৱা কোনো ব্যক্তিক অন্তৰ্ভুক্ত নকৰে ; ]

(ঠ) "যুৱক" মানে এজন ব্যক্তি যি শিশু বা কিশোৰ ।

দিনৰ সময়ৰ প্ৰতি নিৰ্দ্দেশ ।

৩। এই অধিনিয়মত দিনৰ সময়ৰ প্ৰতি নিৰ্দ্দেশ থাকিলে ভাৰতীয় মান সময় বুজাব যিটো গ্ৰীন উইচৰ মধ্যাহ্ন সময়তকৈ চাৰে পাঁচ ঘণ্টা আগবঢ়া ঃ

পৰন্তু কোনো অঞ্চলৰ কাৰণে যত ভাৰতীয় মান সময় সাধাৰণতে পালন কৰা নহয়, তেনে ক্ষেত্ৰত ৰাজ্য চৰকাৰে —

(ক) অঞ্চলটো বিনিৰ্দ্দিষ্ট কৰি ;

(খ) তাত সাধাৰণতে পালন কৰা স্থানীয় মধ্যাহ্ন সময় নিৰ্দ্দিষ্ট কৰি ; আৰু

(গ) সেই অঞ্চলত অৱস্থিত সকলো বা কোনো বাগিচাত এনে সময় পালন কৰাটোৰ অনুমতি দি নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

---

১। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

[1] [অধ্যায় - ১ক

## বাগিচা সমূহৰ পঞ্জীয়ন

পঞ্জীয়ন পদাধিকাৰী সকলৰ নিযুক্তি ।

৩ক। ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে -

(ক) উপযুক্ত বিবেচনা কৰা মতে চৰকাৰৰ ৰাজপত্ৰিত পদাধিকাৰী হোৱা এনে ব্যক্তিসকলক এই অধ্যায়ৰ উদ্দেশ্যসমূহৰ বাবে পঞ্জীয়ন পদাধিকাৰী হিচাপে নিযুক্তি দিব পাৰে, আৰু

(খ) যি সীমাৰ ভিতৰত কোনো পঞ্জীয়ন পদাধিকাৰীয়ে এই অধ্যায়ৰ দ্বাৰা বা অধীনত তেওঁৰ ওপৰত অৰ্পিত বা আৰোপিত ক্ষমতা সমূহৰ প্ৰয়োগ আৰু কৃতাসমূহ নিৰ্বাহ কৰিব তাক নিৰূপণ কৰিব পাৰে ।

বাগিচা সমূহৰ পঞ্জীয়ন ।

৩খ। (১) বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ প্ৰাৰম্ভত বিদ্যমান কোনো বাগিচাৰ নিয়োজকে এনে প্ৰাৰম্ভৰ যাঠি দিন কালৰ ভিতৰত আৰু এনে প্ৰাৰম্ভৰ পিচত হোৱা আন কোনো বাগিচাৰ নিয়োজকে এনে বাগিচা হোৱাৰ যাঠি দিন কালৰ ভিতৰত পঞ্জীয়ন পদাধিকাৰীৰ ওচৰত এনে বাগিচাৰ পঞ্জীয়নৰ বাবে আবেদন পত্ৰ দিব পাৰে ঃ

পৰন্তু পঞ্জীয়ন পদাধিকাৰীয়ে উপৰোক্ত কালছোৱাৰ অৱসানৰ পিচত এনে আবেদন পত্ৰ গ্ৰহণ কৰিব পাৰে যদিহে তেওঁ, এনে কালৰ ভিতৰত আবেদন পত্ৰ দিয়াত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা আবেদক বাধাপ্ৰাপ্ত হোৱা বুলি সন্তুষ্ট হয় ।

(২) উপধাৰা (১)ৰ অধীনত দিয়া প্ৰত্যেক আবেদন পত্ৰ বিহিত কৰা মতে প্ৰপত্ৰত হব লাগিব আৰু তাত এনে সবিশেষ বৃত্তান্ত থাকিব লাগিব আৰু তাৰ সৈতে এনে মাচুল দিব লাগিব ।

(৩) উপধাৰা (১)ৰ অধীনত এখন আবেদন পত্ৰ প্ৰাপ্তিৰ পিচত, পঞ্জীয়ন পদাধিকাৰীয়ে বাগিচাখন পঞ্জীভুক্ত কৰিব ।

(৪) যি ক্ষেত্ৰত এই ধাৰাৰ অধীনত কোনো বাগিচা পঞ্জীভুক্ত কৰা হয়, তেনে ক্ষেত্ৰত পঞ্জীয়ন পদাধিকাৰীয়ে বিহিত কৰা এনে প্ৰপত্ৰত বাগিচাখনৰ নিয়োজকক পঞ্জীয়নৰ প্ৰমাণ পত্ৰ দিব ।

(৫) যি ক্ষেত্ৰত এই ধাৰাৰ অধীনত কোনো পঞ্জীয়নৰ পিচত এনে বাগিচাৰ সম্পৰ্কত মালিকনা, বা পৰিচালনা বা ক্ষেত্ৰফলৰ বিস্তাৰ বা আন বিহিত সবিশেষৰ ক্ষেত্ৰত কোনো পৰিবৰ্ত্তন ঘটে, তেনেক্ষেত্ৰত এনে পৰিবৰ্ত্তন সম্বন্ধে সবিশেষবোৰ নিয়োজকে এনে পৰিবৰ্ত্তনৰ ত্ৰিশ দিনৰ ভিতৰত বিহিত কৰা এনে প্ৰপত্ৰত পঞ্জীয়ন পদাধিকাৰীক জনাব ।

---

১ বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃ স্থাপিত ।

(৬) যি ক্ষেত্রত উপধাৰা (৫)ৰ অধীনত প্ৰাপ্ত কোনো সংবাদৰ ফলস্বৰূপে পঞ্জীয়ন পদাধিকাৰী বাগিচাখন এই ধাৰাৰ অধীনত পুনৰায় পঞ্জীভুক্ত কৰিব নালাগে বুলি সন্তুষ্ট হয়, তেনেক্ষেত্ৰত, তেওঁ লিখিত আদেশেৰে তাৰ পঞ্জীয়ন নাকচ কৰিব আৰু যিমান সোনকালে সম্ভৱ হয়, বাগিচাখন অৱস্থিত হোৱা অঞ্চলৰ ভাষাত আৰু তাত প্ৰচাৰ থকা কোনো এখন বাতৰি কাকতত এনে আদেশ প্ৰকাশ কৰাব।

পঞ্জীয়ন পদাধিকাৰীৰ আদেশৰ বিৰুদ্ধে আপীল।

৩গ। (১) ধাৰা ৩খৰ উপধাৰা (৬)ৰ অধীনত পঞ্জীয়ন পদাধিকাৰীৰ আদেশৰ দ্বাৰা ব্যথিত কোনো ব্যক্তিয়ে, সেই উপধাৰাৰ অধীনত বাতৰি কাকতত এনে আদেশ প্ৰকাশনৰ ত্ৰিশ দিনৰ ভিতৰত বিহিত কৰা প্ৰাধিকাৰীৰ ওচৰত আপীল কৰিব পাৰিব ঃ

পৰন্তু আপীল প্ৰাধিকাৰীয়ে সেই উপধাৰাৰ অধীনত উক্ত কালৰ অৱসানৰ পিচত কোনো আপীল গ্ৰহণ কৰিব পাৰে, যদি এনে কালৰ ভিতৰত আপীলকৰণত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা আপীলকাৰী বাধাপ্ৰাপ্ত হৈছিল বুলি ই সন্তুষ্ট হয়।

(২) উপধাৰা (১)ৰ অধীনত কোনো আপীল প্ৰাপ্তিৰ পিচত, আপীল প্ৰাধিকাৰীয়ে, আপীলকাৰীক, ধাৰা ৩খৰ উপধাৰা (৫)ত নিৰ্দ্দিষ্ট নিয়োজকক আৰু পঞ্জীয়ন পদাধিকাৰীক বিষয়টোত শুনানিৰ এটা সুযোগ দিয়াৰ পিচত যিমান শীঘ্ৰে সম্ভৱ হয় আপীলটো নিষ্পত্তি কৰিব।

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

৩ঘ। (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে এই অধ্যায়ৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) পূৰ্ববৰ্ত্তী ক্ষমতাসমূহৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ আৰু বিশেষকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বিষয়ে উপবন্ধ কৰিব পাৰে ; অৰ্থাৎ —

(ক) কোনো বাগিচা পঞ্জীয়নৰ বাবে আবেদনৰ প্ৰপত্ৰ, এনে আবেদন পত্ৰত অন্তৰ্বিষ্ট কৰিবলগীয়া সবিশেষবোৰ আৰু এনে আবেদন পত্ৰৰ সৈতে দিবলগীয়া মাচুলবোৰ ;

(খ) পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ প্ৰপত্ৰ ;

(গ) ধাৰা ৩খৰ উপধাৰা (৫)ৰ অধীনত নিয়োজকে পঞ্জীয়ন পদাধিকাৰীক দিবলগা সংবাদৰ সম্পৰ্কত কোনো পৰিৱৰ্তন সম্বন্ধে সবিশেষবোৰ আৰু কোনো প্ৰপত্ৰত এনে পৰিৱৰ্ত্তনবোৰ জনাব ;

(ঘ) ধাৰা ৩গৰ অধীনত কোন প্ৰাধিকাৰীৰ ওচৰত আপীল কৰিব পাৰিব আৰু এনে আপীলৰ সম্পৰ্কত প্ৰদেয় মাচুল ;

(ঙ) পঞ্জীয়ন পদাধিকাৰীয়ে ৰাখিব আৰু চলাই ৰাখিবলগীয়া পঞ্জীসমূহ।]

## অধ্যায় -২

## পৰিদৰ্শক কৰ্মচাৰীবৃন্দ

মুখ্য পৰিদৰ্শক আৰু পৰিদৰ্শক সকল।

৪। (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে এজন যথা অৰ্হতা সম্পন্ন ব্যক্তিক ৰাজ্যখনৰ বাবে বাগিচাৰ মুখ্য পৰিদৰ্শক হিচাপে আৰু মুখ্য পৰিদৰ্শকৰ অধীনত উপযুক্ত বিবেচনা কৰা এনে সংখ্যক যথা অৰ্হতা সম্পন্ন ব্যক্তিক বাগিচাৰ পৰিদৰ্শক হিচাপে নিয়োগ কৰিব পাৰে।

[1][(১ক) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে উপযুক্ত বিবেচনা কৰা মতে ৰাজ্য চৰকাৰৰ বা ইয়াৰ নিয়ন্ত্ৰণাধীন কোনো স্থানীয় প্ৰাধিকৰণৰ এনে পদাধিকাৰী সকলক এই অধিনিয়মৰ সকলোবোৰ বা যিকোনো উদ্দেশ্যৰ বাবে বাগিচাৰ অতিৰিক্ত পৰিদৰ্শক নিযুক্ত কৰিব পাৰে।]

(২) ৰাজ্য চৰকাৰে এই মৰ্মে প্ৰণয়ন কৰা এনে নিয়মাৱলী সাপেক্ষে, যি স্থানীয় অঞ্চল বা অঞ্চলসমূহত বা যি বাগিচাৰ সম্পৰ্কত পৰিদৰ্শক সকলে এই অধিনিয়মৰ অধীনত তেওঁলোকৰ ক্ষমতা প্ৰয়োগ কৰিব, সেই স্থানীয় অঞ্চল বা অঞ্চলসমূহ বা বাগিচাসমূহ মুখ্য পৰিদৰ্শকে ঘোষণা কৰিব পাৰে, আৰু ৰাজ্য চৰকাৰে তেওঁৰ ওপৰত আৰোপ কৰা এনে সীমাৰ ভিতৰত তেওঁ নিজেও এজন পৰিদৰ্শকৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

(৩) মুখ্য পৰিদৰ্শক আৰু সকলো পৰিদৰ্শক ভাৰতীয় দণ্ড সংহিতাৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য হব। ১৮৬০ৰ ৪৫

পৰিদৰ্শক সকলৰ ক্ষমতা আৰু কৃত্যসমূহ।

৫। ৰাজ্য চৰকাৰে এই মৰ্মে প্ৰণয়ন কৰা নিয়মাৱলী সাপেক্ষে পৰিদৰ্শকে তেওঁ নিয়োজিত হোৱা স্থানীয় অঞ্চলৰ ভিতৰত —

(ক) কোনো বাগিচাৰ ক্ষেত্ৰত এই অধিনিয়মৰ উপবন্ধসমূহ আৰু তাৰ অধীনত প্ৰণীত নিয়মাৱলী পালন কৰা হৈছে নে নাই সেইটো নিশ্চিত কৰিবলৈ এনে পৰীক্ষা আৰু তদন্ত কৰিব পাৰে ;

(খ) এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰাৰ কাৰণে কোনো যুক্তিযুক্ত সময়ত তেওঁ উচিত বিবেচনা কৰা মতে, এনে কোনো সহকাৰী সহ, যদি থাকে, কোনো বাগিচা বা তাৰ অংশত প্ৰৱেশ, পৰিদৰ্শন আৰু পৰীক্ষা কৰিব পাৰে ;

(গ) কোনো বাগিচাত উৎপাদন কৰা শস্য বা তাত নিয়োজিত হোৱা কোনো কৰ্মীক পৰীক্ষা কৰিব পাৰে বা এই অধিনিয়মৰ অধীনত ৰখা কোনো পঞ্জী বা আন দস্তাবেজ দাখিল কৰিবলৈ অপেক্ষা কৰিব পাৰে আৰু এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰাৰ বাবে তেওঁ আৱশ্যক বিবেচনা কৰা মতে সেই ঠাইতে বা অন্যথা কোনো ব্যক্তিৰ বিবৃতি লব পাৰে ;

---

১। বাগিচা শ্ৰম (সংশোধন)অধিনিয়ম, ১৯৮১ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত।

(ঘ) বিহিত কৰা এনে ক্ষমতাবিলাক প্ৰয়োগ কৰিব পাৰে :

পৰন্তু কোনো ব্যক্তিকে এই ধাৰাৰ অধীনত তেওঁৰ নিজকে জগৰীয়া কৰাৰ প্ৰৱণতা থকা কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ বা কোনো বিবৃতি দিবলৈ বাধ্য কৰাব নোৱাৰিব।

পৰিদৰ্শক সকলক দিবলগীয়া সা-সুবিধাবিলাক।

৬। প্ৰত্যেক নিয়োজকে পৰিদৰ্শকক এই অধিনিয়মৰ অধীনত কোনো প্ৰবেশ, পৰিদৰ্শন, পৰীক্ষা বা তদন্ত কৰাৰ বাবে সকলো যুক্তিযুক্ত সা-সুবিধা দিব।

প্ৰমাণ কৰ্ত্তা শল্য চিকিৎসক।

৭। (১) ৰাজ্য চৰকাৰে এই অধিনিয়মৰ উদ্দেশ্যে তেওঁলোকলৈ যথাক্ৰমে আৰোপ কৰা এনে স্থানীয় সীমাৰ ভিতৰত বা এনে বাগিচা বা বাগিচা সমূহৰ শ্ৰেণীৰ কাৰণে অৰ্হতাসম্পন্ন চিকিৎসা ব্যৱসায়ী সকলক প্ৰমাণ কৰ্ত্তা শল্য-চিকিৎসক হিচাপে নিযুক্ত কৰিব পাৰে।

(২) প্ৰমাণ কৰ্ত্তা শল্য চিকিৎসকে -

(ক) কৰ্মীবিলাকৰ পৰীক্ষা আৰু প্ৰমাণন সম্বন্ধে ;

(খ) যেতিয়া কিশোৰ আৰু শিশু সকলক তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি ক্ষতি কৰাৰ সম্ভাৱনা থকা কোনো বাগিচাৰ কোনো কামত নিয়োগ কৰা হয় বা নিয়োগ কৰিবলগীয়া হয়, তেতিয়া বিহিত কৰা এনে চিকিৎসা বিষয়ক তদাৰক প্ৰয়োগ কৰাৰ সম্বন্ধে বিহিত কৰা এনে কৰ্ত্তব্যসমূহ সম্পাদন কৰিব।

## অধ্যায় - ৩

### স্বাস্থ্য সম্বন্ধে উপবন্ধসমূহ

খোৱা পানী।

৮। প্ৰত্যেক বাগিচাৰ সুবিধাজনক স্থানত সকলো কৰ্মীৰ বাবে যথেষ্ট পৰিমাণে বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা কৰিবলৈ আৰু ৰাখিবলৈ নিয়োজকে কাৰ্য্যকৰী ব্যৱস্থা লব লাগিব।

পৰিষ্কাৰ পৰিচ্ছন্নতা।

৯। (১) প্ৰত্যেক বাগিচাত পুৰুষ আৰু মহিলাৰ কাৰণে পৃথক ভাবে বিহিত কৰা প্ৰকাৰৰ যথেষ্ট সংখ্যক পায়খানা আৰু পেচাবখানা তাত যাতে নিয়োজিত কৰ্মী বিলাকৰ বাবে সুবিধাজনক আৰু সুগম্য হয় এনে ঠাইত ব্যৱস্থা ৰাখিব লাগিব।

(২) উপধাৰা (১)ৰ অধীনত ব্যৱস্থিত সকলো পায়খানা আৰু পেচাবখানা পৰিষ্কাৰ পৰিচ্ছন্নকৈ আৰু স্বাস্থ্যকৰ ভাবে ৰাখিব লাগিব।

চিকিৎসা বিষয়ক সা-সুবিধাসমূহ।

১০। (১) প্ৰত্যেক বাগিচাত ৰাজ্য চৰকাৰে বিহিত কৰা মতে কৰ্মীসকল [১][আৰু তেওঁলোকৰ পৰিয়াল সমূহঁৰ বাবে সহজ প্ৰাপ্য কৰি এনে চিকিৎসাৰ সা-সুবিধাসমূহৰ ব্যৱস্থা কৰিব আৰু চলাই ৰাখিব লাগিব।

(২) যদি কোনো বাগিচাত উপধাৰা (১) অনুসৰি প্ৰয়োজন হোৱা মতে চিকিৎসাৰ সা-সুবিধাসমূহৰ ব্যৱস্থা কৰা আৰু চলাই ৰখা নহয় তেন্তে মুখ্য পৰিদৰ্শকে তাত এনে চিকিৎসাৰ সা-সুবিধাসমূহৰ ব্যৱস্থা কৰাব আৰু চলাই ৰখাব পাৰিব আৰু তাৰ খৰচখিনি ত্ৰুটিকাৰী নিয়োজক জনৰ পৰা আদায় কৰিব পাৰিব।

(৩) এনে ধৰণে আদায়কৰণৰ উদ্দেশ্যে মুখ্য পৰিদৰ্শকে আদায় কৰিবলগীয়া খৰচখিনি সমাহৰ্ত্তালৈ প্ৰমাণিত কৰি দিব পাৰিব যি টকা খিনি ভূমি ৰাজহৰ বাকী হিচাপে আদায় কৰিব পাৰিব।

---

১। ১৯৬০ চনৰ ৩৪ নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃ স্থাপিত (২১-১১-১৯৬০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

## অধ্যায় - ৪

## কল্যাণ

কেন্টিন।

১১। (১) সাধাৰণতে এশ পঞ্চাশজন কৰ্মী নিয়োজিত হোৱা প্ৰত্যেক বাগিচাত কৰ্মীসকলৰ ব্যৱহাৰৰ কাৰণে নিয়োজকে এখন বা ততোধিক কেন্টিনৰ ব্যৱস্থা কৰিবলৈ আৰু চলাই ৰাখিবলৈ অপেক্ষা কৰি ৰাজ্য চৰকাৰে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰিব।

(২) উপৰোক্ত ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে --

(ক) যি তাৰিখৰ ভিতৰত কেন্টিনৰ ব্যৱস্থা কৰা হ'ব ;

(খ) ব্যৱস্থা কৰিবলগীয়া কেন্টিন বিলাকৰ সংখ্যা আৰু কেন্টিন বিলাকৰ নিৰ্মাণ, ব্যৱস্থাপন, আচবাব আৰু আন সা-সঁজুলি সম্পৰ্কে মান ;

(গ) তাত যোগান ধৰিবলগীয়া খাদ্য সামগ্ৰীবিলাক আৰু তাৰ বাবে লবলগীয়া মূল্য ;

(ঘ) কেন্টিনৰ কাৰণে এখন পৰিচালনা সমিতি গঠন আৰু কেন্টিনৰ পৰিচালনাত কৰ্মীসকলৰ প্ৰতিনিধিত্ব ;

(ঙ) বিহিত কৰা এনে চৰ্ত্তাৱলী সাপেক্ষে (গ) খণ্ডৰ অধীনত নিয়মাৱলী প্ৰণয়ন কৰিবৰ কাৰণে মুখ্য পৰিদৰ্শককৈ ক্ষমতা আৰোপকৰণৰ বিষয়ে, উপবন্ধ কৰিব পাৰিব।

শিশু কক্ষ।

১২। [1][(১) প্ৰত্যেক বাগিচাত য'ত পঞ্চাশজনী বা ততোধিক নাৰী কৰ্মী (কোনো ঠিকাদাৰৰ দ্বাৰা নিয়োজিত নাৰী কৰ্মীক অন্তৰ্ভুক্ত কৰি) নিয়োজিত কৰা হয় বা পূৰ্ববৰ্ত্তী বাৰ মাহৰ ভিতৰত কোনো দিনত নিয়োজিত কৰা হৈছিল বা য'ত নাৰী কৰ্মীসকলৰ লৰা ছোৱালীৰ সংখ্যা (কোনো ঠিকাদাৰৰ দ্বাৰা নিয়োজিত নাৰী কৰ্মীক অন্তৰ্ভূক্ত কৰি ) বিশ বা তাৰ অধিক হয় তেনেক্ষেত্ৰত এনে নাৰী কৰ্মীসকলৰ ল'ৰা ছোৱালীবিলাকৰ ব্যৱহাৰৰ বাবে নিয়োজকে উপযুক্ত কোঠাৰ ব্যৱস্থা কৰিব আৰু ৰাখিব লাগিব।

স্পষ্টীকৰণ ঃ এই উপধাৰা আৰু উপধাৰা (১ক)ৰ উদ্দেশ্যসমূহৰ বাবে 'ল'ৰা-ছোৱালী', মানে ছয় বছৰ বয়সৰ তলৰ ব্যক্তি সকল। ]

[2][(১ক) উপধাৰা (১)ত কোনো কথা অৰ্ন্তবিষ্ট সত্ত্বেও, যদিহে, কোনো বাগিচাৰ সম্পৰ্কত য'ত পঞ্চাশজনীতকৈ কম নাৰী কৰ্মী (কোনো ঠিকাদাৰৰ দ্বাৰা নিয়োজিত নাৰী কৰ্মীক অন্তৰ্ভুক্ত কৰি ) নিয়োজিত হয় বা পূৰ্ববৰ্ত্তী বাৰ মাহৰ কোনো এটা দিনত নিয়োজিত হৈছিল বা য'ত এনে নাৰী কৰ্মীসকলৰ লৰা-ছোৱালীৰ সংখ্যা বিশজনতকৈ কম হয়, তেনে ক্ষেত্ৰত ৰাজ্য চৰকাৰে, এনে নাৰী কৰ্মী সকলৰ ল'ৰা ছোৱালীৰ সংখ্যালৈ লক্ষ্য ৰাখি এনে লৰা-ছোৱালীৰ ব্যৱহাৰৰ বাবে নিয়োজকে উপযুক্ত কোঠাবোৰৰ ব্যৱস্থা কৰিব আৰু ৰাখিব লাগে বুলি ই প্ৰয়োজনীয় বিবেচনা কৰিলে, ৰাজ্য চৰকাৰে আদেশৰ দ্বাৰা নিয়োজকক এনে কোঠাবোৰৰ ব্যৱস্থা কৰিব আৰু চলাই ৰাখিবলৈ নিৰ্দ্দেশ দিব পাৰে আৰু তেতিয়া নিয়োজকে এনে নিৰ্দ্দেশ পালন কৰিবলৈ বাধ্য হব। ]

---

১। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৬((i)ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৬ ((ii)ৰ দ্বাৰা অন্তঃ স্থাপিত।

(২) [1] [ উপধাৰা (১) বা উপধাৰা (১ ক)ত নিৰ্দ্দিষ্ট কোঠাবোৰ ] ;

(ক) যথেষ্ট থকা ঠাইৰ ব্যৱস্থা থাকিব ;

(খ) যথেষ্ট ভাবে আলোকিত হব আৰু বতাহ চলাচলৰ ব্যৱস্থা থকা হব ;

(গ) পৰিস্কাৰ পৰিচ্ছন্ন আৰু স্বাস্থ্যকৰ অৱস্থাত ৰখা হব; আৰু

(ঘ) লৰা-ছোৱালী আৰু শিশুবিলাকৰ তত্বাবধান বিষয়ত প্ৰশিক্ষণ প্ৰাপ্ত এগৰাকী মহিলাৰ কাৰ্য্য-ভাৰাধীনত থাকিব ।

(৩) [1] [উপধাৰা (১) আৰু উপধাৰা (১ক)ত নিৰ্দ্দিষ্ট কোঠাবোৰ] ৰ নিৰ্মাণ আৰু সংস্থাপন আৰু তাত ব্যৱস্থা কৰিবলগীয়া সা-সজুলি আৰু সা-সুবিধাৰ সম্পৰ্কে মান আৰু অৱস্থান বিহিত কৰি দি ৰাজ্য চৰকাৰে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

বিনোদন সম্বন্ধীয় সা-সুবিধাসমূহ ।

১৩। প্ৰত্যেক নিয়োজকে তেওঁৰ বাগিচাত নিয়োজিত কৰ্মী আৰু লৰা-ছোৱালীবিলাকৰ কাৰণে বিহিত কৰা মতে এনে বিনোদন সম্বন্ধীয় সুবিধাবিলাকৰ ব্যৱস্থা কৰিবলৈ অপেক্ষা কৰি ৰাজ্য চৰকাৰে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

শিক্ষা সম্বন্ধীয় সা-সুবিধা সমূহ ।

১৪। যি ক্ষেত্ৰত কোনো বাগিচাত ছয় বছৰৰ পৰা বাৰ বছৰৰ ভিতৰত কৰ্মীৰ লৰা-ছোৱালী বিলাকৰ সংখ্যা পচিশজনতকৈ অধিক হয়, তেনে ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰত্যেক নিয়োজকক লৰা-ছোৱালী বিলাকৰ কাৰণে বিহিত কৰা এনে ৰীতিৰে আৰু এনে মানৰ শিক্ষা সম্বন্ধীয় সা-সুবিধাসমূহৰ ব্যৱস্থা কৰিবলৈ অপেক্ষা কৰি নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

আবাস গৃহৰ সুবিধাসমূহ ।

[2] [১৫। প্ৰত্যেক নিয়োজকৰ --

(ক) বাগিচাত বাস কৰা প্ৰত্যেক কৰ্মীৰ ( তেওঁৰ পৰিয়াল অন্তৰ্ভুক্ত কৰি ) বাবে ;

(খ) বাগিচাৰ বাহিৰত বাস কৰা প্ৰত্যেক কৰ্মীৰ (তেওঁৰ পৰিয়াল অন্তৰ্ভুক্ত কৰি) বাবে যি এনে বাগিচাত ছমাহৰ নিৰন্তৰ সেৱা কৰিছে আৰু যি বাগিচাত বাস কৰিবলৈ লিখিত ভাবে ইচ্ছা প্ৰকাশ কৰিছে--

আৱশ্যকীয় আবাস গৃহৰ সুবিধা দিয়া আৰু মেৰামতি আদি কৰাটো কৰ্ত্তব্য হব ঃ

পৰন্তু এই খণ্ডৰ অধীনত ছমাহৰ নিৰন্তৰ সেৱাৰ প্ৰয়োজনীয়তা কোনো কৰ্মীৰ ক্ষেত্ৰত প্ৰয়োগ নহব যি এনে কোনো মৃত কৰ্মীৰ যি মৃত্যুৰ অব্যৱহিত পূৰ্বে বাগিচাত বাস কৰি আছিল তেওঁৰ পৰিয়ালৰ সদস্য । ]

আবাস গৃহ সম্বন্ধে নিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতা ।

১৬। ধাৰা ১৫ৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰিবৰ উদ্দেশ্যে আৰু বিশেষকৈ—

(ক) ব্যৱস্থা কৰিবলগীয়া থকা ঠাইৰ মান আৰু বিস্তৃত বিৱৰণ ;

(খ) গৃহবিলাক নিৰ্মাণ কৰাৰ বাবে স্থান বাছনি কৰা আৰু প্ৰস্তুত কৰা আৰু এনে ভূমি খণ্ডৰ আকাৰ ;

---

১। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৬(ii) ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৭ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

(গ) গৃহ সংশ্লিষ্ট বিষয়বিলাক আলোচনাৰ বাবে ৰাজ্য চৰকাৰ, নিয়োজক আৰু কৰ্মীসকলৰ প্ৰতিনিধিসকলৰে গঠিত উপদেষ্টা বোৰ্ডসমূহৰ গঠন আৰু সেই সম্পৰ্কে বিনিৰ্দ্দিষ্ট কৰা ধৰণে এনে ক্ষমতাবোৰ, কৃত্যসমূহ আৰু কৰ্ত্তব্যাৱলীৰ প্ৰয়োগ ;

(ঘ) কৰ্মীসকলৰ কাৰণে ব্যৱস্থা কৰা আবাস গৃহৰ বাবে, যদি থাকে, ভাৰা ধাৰ্য্য কৰা ;

(ঙ) কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কাৰণে আবাস গৃহৰ সুবিধা আৰু শাক-পাচলিৰ বাগান কৰাৰ উদ্দেশ্যে [1] × × × এনে আবাস গৃহৰ সৈতে সংলগ্ন উপযুক্ত খালি ঠাইৰ টুকুৰা বণ্টন আৰু এনে আবাসৰ পৰা কৰ্মী আৰু তেওঁলোকৰ পৰিয়াল বৰ্গক উচ্ছেদ ;

(চ) বাগিচাত কৰ্মীসকলক সংস্থাপিত কৰা অংশবিলাক জনসাধাৰণৰ কাৰণে সুগম্যৰ ব্যৱস্থা কৰি,

ৰাজ্য চৰকাৰে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

নিয়োজকৰ দ্বাৰা ব্যৱস্থিত কৰা ঘৰ ভাঙি পৰাৰ পৰিণামত দুৰ্ঘটনা সম্পৰ্কত নিয়োজকৰ দায়িত্ব ।

[2] [১৬ক। (১) যদি ধাৰা ১৫ৰ অধীনত ব্যৱস্থা কৰা ঘৰ ভাঙি পৰাৰ পৰিণাম স্বৰূপে কোনো কৰ্মী বা তেওঁৰ পৰিয়ালৰ কোনো সদস্যৰ মৃত্যু হয় বা আঘাতপ্ৰাপ্ত হয় আৰু ভাঙি পৰা ঘৰটোৰ কোনো অধিভোগীৰ পক্ষে ক্ৰটি বা প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণত হয় বুলি প্ৰত্যক্ষভাৱে আৰোপণীয় নহয়, তেন্তে নিয়োজক ক্ষতিপূৰণ দিবলৈ দায়ী হ'ব ।

(২) তৎসময় বলবৎ থকা কৰ্মীৰ ক্ষতিপূৰণ অধিনিয়ম, ১৯২৩ (১৯২৩ৰ ৮)ৰ ধাৰা ৪ৰ উপবন্ধসমূহ আৰু অনুসূচী ৪ সেই অধিনিয়মৰ অধীনত কোনো কৰ্মীক প্ৰদেয় ক্ষতিপূৰণৰ টকাৰ পৰিমাণ সম্পৰ্কে যিমান দূৰ সম্ভব হয়, উপধাৰা (১)ৰ অধীনত প্ৰদেয় ক্ষতিপূৰণৰ টকা নিৰূপণৰ বাবে প্ৰয়োগ হ'ব ।

আয়ুক্ত সকলৰ নিযুক্তি ।

১৬খ। ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে, উপযুক্ত বিবেচনা কৰা মতে বিহিত অৰ্হতা সম্পন্ন ইমান সংখ্যক ব্যক্তিক ধাৰা ১৬কৰ অধীনত প্ৰদেয় ক্ষতিপূৰণৰ টকাৰ পৰিমাণ নিৰূপণ কৰিবলৈ আয়ুক্ত ৰূপে নিযুক্ত কৰিব পাৰে আৰু এই অধিনিয়মৰ দ্বাৰা বা অধীনত যি সীমাৰ ভিতৰত তেওঁৰ ওপৰত অৰ্পিত ক্ষমতাসমূহৰ প্ৰয়োগ আৰু আৰোপিত কৃত্যসমূহ নিৰ্বাহ কৰিব তাকো পৰিভাষিত কৰিব পাৰে ।

---

১। ১৯৬০ চনৰ ৩৪নং অধিনিয়মৰ ৫ ধাৰাৰ দ্বাৰা কিছুমান শব্দ লোপ কৰা হৈছে ।
২। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত ।

ক্ষতিপূৰণৰ বাবে আবেদন পত্ৰ।

১৬গ। (১) ধাৰা ১৬কৰ অধীনত ক্ষতিপূৰণ প্ৰদানৰ বাবে আবেদন পত্ৰ আয়ুক্তক দিব পাৰিব, —

(ক) আঘাত প্ৰাপ্ত ব্যক্তিৰ দ্বাৰা ; বা

(খ) আঘাত প্ৰাপ্ত ব্যক্তিৰ দ্বাৰা যথাযথ ভাবে প্ৰাধিকৃত কোনো অভিকৰ্ত্তাৰ দ্বাৰা ; বা

(গ) যি ক্ষেত্ৰত আঘাত প্ৰাপ্ত ব্যক্তি অপ্ৰাপ্তবয়স্ক হয়, তেওঁৰ অভিভাৱকৰ দ্বাৰা ; বা

(ঘ) যি ক্ষেত্ৰত গৃহ পতনৰ পৰিণাম স্বৰূপে মৃতকৰ কোনো আশ্ৰিতৰ দ্বাৰা বা এনে আশ্ৰিতৰ যথাযথ ভাবে প্ৰাধিকৃত অভিকৰ্ত্তাৰ দ্বাৰা, বা যদিহে এনে আশ্ৰিত অপ্ৰাপ্ত বয়স্ক হয়, তেওঁৰ অভিভাৱকৰ দ্বাৰা।

(২) উপধাৰা (১)ৰ অধীনত প্ৰত্যেক আবেদন পত্ৰ বিহিত কৰা মতে এনে প্ৰপত্ৰত হব লাগিব আৰু এনে সবিশেষবোৰ থাকিব লাগিব।

(৩) গৃহ পতনৰ পৰা ছয় মাহৰ কালৰ ভিতৰত দিয়া নহলে, এই ধাৰাৰ অধীনত ক্ষতিপূৰণৰ বাবে কোনো আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব ঃ

পৰন্তু যদিহে আয়ুক্ত উপৰোক্ত ছমাহৰ কালৰ ভিতৰত আবেদন পত্ৰ দিয়াত আবেদক পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল বুলি সন্তুষ্ট হয়, তেন্তে এই আবেদন পত্ৰ অতিৰিক্ত ছমাহ কালৰ ভিতৰত গ্ৰহণ কৰিব পাৰে।

স্পষ্টীকৰণ — এই ধাৰাত "আশ্ৰিত" অভিব্যক্তিৰ, কৰ্মী ক্ষতিপূৰণ অধিনিয়ম, ১৯২৩ (১৯২৩ৰ ৮)ৰ ধাৰা ২ৰ খণ্ড (ঘ)ত আৰোপ কৰা অৰ্থ হব।

প্ৰক্ৰিয়া আৰু আয়ুক্তৰ ক্ষমতাসমূহ।

১৬ঘ। (১) ধাৰা ১৬গৰ অধীনত আবেদন পত্ৰ প্ৰাপ্তিত আয়ুক্তই আবেদন পত্ৰত অৰ্ন্তগত বিষয়ত তদন্ত কৰিব পাৰিব।

(২) ধাৰা ১৬কৰ অধীনত প্ৰদেয় ক্ষতিপূৰণৰ টকা নিৰূপণ কৰোতে, আয়ুক্তই এই মৰ্মে প্ৰণীত হব পৰা কোনো নিয়মাৱলী সাপেক্ষে, তেওঁ উপযুক্ত বুলি ভবা মতে এনে সংক্ষিপ্ত প্ৰক্ৰিয়া অনুসৰণ কৰিব।

(৩) আয়ুক্তৰ নিম্নলিখিত বিষয়বোৰৰ সম্পৰ্কত চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ ৫) ৰ অধীনত কোনো বাদৰ বিচাৰ কৰোতে চিভিল ন্যায়ালয়ৰ সকলোবোৰ ক্ষমতা থাকিব,
অৰ্থাৎ—

(ক) কোনো ব্যক্তিক চমন দিয়া আৰু হাজিৰ কৰোৱা আৰু শপতৰ ওপৰত তেওঁক পৰীক্ষা কৰা ;

(খ) কোনো দস্তাবেজৰ আবিষ্কাৰ আৰু দাখিল কৰণ অপেক্ষা কৰা ;

(গ) শপত পত্ৰৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা ;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্যালয়ৰ পৰা কোনো লোক অভিলেখ বা তাৰ প্ৰতিলিপি খোজা ;

(ঙ) সাক্ষীসমূহ বা দস্তাবেজবোৰ পৰীক্ষা কৰাৰ বাবে কমিচন প্ৰেৰণ কৰা ;

(চ) বিহিত কৰিবলগীয়া আন কোনো বিষয় ।

(৪) এই মৰ্মে প্ৰণয়ন কৰিব পৰা কোনো নিয়মাৱলী সাপেক্ষে, আয়ুক্তই কোনো দাবী বা ক্ষতিপূৰণ নিৰূপণ কৰাৰ উদ্দেশ্যে তদন্তটো অনুষ্ঠিত কৰোতে তেওঁক সহায় কৰিবলৈ তদন্তৰ কোনো বিষয়ৰ বিশেষ জ্ঞান বিশিষ্ট এক বা একাধিক ব্যক্তিক মনোনীত কৰিব পাৰে ।

ক্ষতিপূৰণ ইত্যাদি প্ৰদান কৰাৰ দায়িত্ব আয়ুক্তই বিনিশ্চয় কৰিব ।

১৬ঙ৷ (১) ধাৰা ১৬ক ৰ অধীনত ক্ষতিপূৰণ প্ৰদান কৰিবলৈ কোনো নিয়োজকৰ দায়িত্ব সম্বন্ধে বা তাৰ ধনৰ পৰিমাণ সম্পৰ্কে বা কোন ব্যক্তিলৈ এনে ক্ষতিপূৰণ প্ৰদেয় সেই সম্পৰ্কে কোনো প্ৰশ্ন আয়ুক্তই বিনিশ্চয় কৰিব ।

(২) ক্ষতিপূৰণ মঞ্জুৰ কৰিবলৈ অস্বীকাৰ কৰা, তেওঁলৈ মঞ্জুৰ কৰা ক্ষতিপূৰণৰ ধনৰ পৰিমাণ সম্পৰ্কে বা তাৰ অভিভাজন স[illegible] আয়ুক্তৰ বিনিশ্চয়ৰ দ্বাৰা ব্যথিত কোনো ব্যক্তিয়ে আয়ুক্তই এনে ব্যক্তি[illegible] আদেশটো দিয়াৰ পৰা নৱৈব দিনৰ ভিতৰত গৃহৰ পতন ঘটা স্থানৰ ওপৰত অধিকাৰিতা থকা উচ্চ ন্যায়ালয়ৰ ওচৰত আপীল কৰিব পাৰিব ঃ

পৰন্তু উচ্চ ন্যায়ালয়ে এনে কালৰ ভিতৰত পৰ্যাপ্ত কাৰণৰ দ্বাৰা আপীল কৰাৰ পৰা আপীলকাৰী বাধাপ্ৰাপ্ত হৈছিল বুলি সন্তুষ্ট হ'লে, উপৰোক্ত কালৰ অৱসানৰ পিছত এনে কোনো আপীল গ্ৰহণ কৰিব পাৰিব ঃ

উপৰন্তু, এই উপধাৰাৰ একোৱেই ধাৰা ১৬ক ৰ অধীনত প্ৰদেয় ক্ষতিপূৰণৰ ধনতকৈ অধিক ক্ষতিপূৰণ মঞ্জুৰ কৰিবলৈ উচ্চ ন্যায়ালয়ক প্ৰাধিকৃত কৰা বুলি গণ্য নকৰিব ।

(৩) উপধাৰা (২) ৰ অধীনত আপীল কৰা গোচৰ বোৰত উচ্চ ন্যায়ালয়ৰ বিনিশ্চয় সাপেক্ষে, উপধাৰা (১)ৰ অধীনত আয়ুক্তৰ বিনিশ্চয়েই চূড়ান্ত হ'ব আৰু কোনো ন্যায়ালয়ে সেই বিষয়ে প্ৰশ্ন নুতুলিব ।

কিছুমান নিৰ্দিষ্ট অধিকাৰ সম্বন্ধে ব্যাবৃত্তি ।

১৬চ৷ ধাৰা ১৬কৰ অধীনত ক্ষতিপূৰণ দাবী কৰিবলৈ কোনো ব্যক্তিৰ অধিকাৰ তৎসময় বলবৎ থকা আন কোনো বিধিৰ অধীনত প্ৰদেয় ক্ষতিপূৰণ আদায় কৰিবলৈ এনে ব্যক্তিৰ অধিকাৰৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব ; কিন্তু গৃহৰ এনে পতনৰ সম্পৰ্কত একাধিক বাৰ ক্ষতিপূৰণ দাবী কৰিবলৈ কোনো ব্যক্তি হকদাৰ নহ'ব ।

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ।

১৬ছ। (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰে ধাৰাসমূহ ১৬কৰ পৰা ১৬চলৈ (উভয়কে অন্তৰ্ভুক্ত কৰি) উপবন্ধসমূহ কাৰ্য্যকৰী কৰিবলৈ নিয়মাবলী প্ৰণয়ন কৰিব পাৰে।

(২) পূৰ্বোক্ত ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ আৰু বিশেষকৈ এনে নিয়মাৱলীয়ে, ---------

(i) আয়ুক্তসকলৰ অৰ্হতাসমূহ আৰু সেৱাৰ চৰ্ত্তাবলী ;

(ii) কি ৰীতিৰে ক্ষতিপূৰণৰ বাবে দাবী সমূহ আয়ুক্তৰ দ্বাৰা তদন্ত আৰু তাৰ নিৰূপণ কৰিব পাৰি ;

(iii) কি বিষয়ত কোনো ব্যক্তিক ধাৰা ১৬ঘৰ অধীনত আয়ুক্তক সহায়তা কৰিবলৈ মনোনীত কৰিব পাৰি আৰু এনে ব্যক্তিৰ দ্বাৰা সম্পাদিত হব পৰা কৃত্যসমূহ ;

(iv) সাধাৰণতে আয়ুক্তৰ ওপৰত অৰ্পিত ক্ষমতাসমূহ ফলপ্ৰদ প্ৰয়োগৰ বাবে উপবন্ধ কৰিব পাৰে।

আন সা-সুবিধা সমূহ ।

১৭। প্ৰত্যেক বাগিচাত কৰ্মী সকলক বৰষুণ আৰু শীতৰ পৰা ৰক্ষা কৰাৰ কাৰণে বিহিত কৰা এনে সংখ্যাৰ আৰু এনে ধৰণৰ ছাতি, কম্বল, পানী কোট বা তেনে ধৰণৰ আন সা-সুবিধা কিছুমান নিয়োজকক কৰ্মীসকললৈ দিবলৈ অপেক্ষা কৰি ৰাজ্য চৰকাৰে নিয়মাবলী প্ৰণয়ন কৰিব পাৰে।

কল্যাণ পদাধিকাৰী সকল ।

১৮। (১) তিনিশ বা ততোধিক কৰ্মী সাধাৰণতে নিয়োজিত হোৱা প্ৰত্যেক বাগিচাত নিয়োজকে বিহিত কৰা এনে সংখ্যাৰ কল্যাণ পদাধিকাৰী নিয়োগ কৰিব।

(২) ৰাজ্য চৰকাৰে উপধাৰা (১) ৰ অধীনত নিয়োজিত হোৱা পদাধিকাৰীৰ কৰ্ত্তব্য, অৰ্হতা আৰু সেৱা-চৰ্ত্তাবলী বিহিত কৰি দিব পাৰে।

অধ্যায় - ৫

## নিয়োজনৰ সময় আৰু তাত নিৰ্বন্ধন

সাপ্তাহিক সময় । ১৯। (১) এই অধিনিয়মত স্পষ্ট ভাবে অন্যথা ব্যৱস্থা কৰা ব্যতিৰেকে, কোনো বাগিচাত কোনো প্ৰাপ্তবয়স্ক কৰ্মীয়ে সপ্তাহে [1] [আঠচল্লিশ ঘন্টাত] কৈ অধিক কাল আৰু কোনো কিশোৰ বা শিশুৱে সপ্তাহে [1] [সাতাইশ ঘন্টাত] কৈ অধিক কাল কাম কৰিব লগা নহব বা তেনে কৰিবলৈ অনুমতি দিয়া নহব ।

[2] [(২) যেতিয়া এজন প্ৰাপ্তবয়স্ক কৰ্মীয়ে কোনো বাগিচাত সাধাৰণ কৰ্মদিন গঠন কৰা ঘন্টা বোৰতকৈ অধিক কোনো দিনত অতিৰিক্ত সময় কাম কৰে বা কোনো সপ্তাহত আঠচল্লিশ ঘন্টাতকৈ অধিক কালৰ বাবে কাম কৰে, তেতিয়া তেওঁ এনে অতিৰিক্ত সময়ৰ কামৰ সম্পৰ্কত সাধাৰণ মজুৰিতকৈ দুগুণ হাৰত পাবলৈ হকদাৰ হব ঃ

পৰন্তু কোনো কৰ্মীকে কোনো দিনত ন ঘন্টাতকৈ অধিক বা কোনো সপ্তাহত চৌবন ঘন্টাতকৈ অধিক কালৰ বাবে কাম কৰিবলৈ অনুমতি দিয়া নহব ।

(৩) কোনো বন্ধ অবকাশ বা বিশ্ৰামৰ দিনত বাগিচাত কৰা কোনো কামৰ বাবে এজন কৰ্মীয়ে অতিৰিক্ত কামৰ ক্ষেত্ৰত দিয়াৰ দৰে সাধাৰণ মজুৰিৰ দুগুণ হাৰত পাবলৈ হকদাৰ হব ।]

সাপ্তাহিক অবকাশ । ২০। (১) ৰাজ্য চৰকাৰে এই মৰ্মে প্ৰণয়ন কৰা নিয়মাবলীৰ দ্বাৰা —

(ক) সাত দিনৰ প্ৰত্যেক কালছোবাৰ কাৰণে এটা বিশ্ৰামৰ দিনৰ ব্যৱস্থা কৰিব পাৰে, যিটো সকলো কৰ্মীক মঞ্জুৰ কৰা হব ;

[3] [(খ) কি চৰ্ত্তাবলী সাপেক্ষে আৰু কি পৰিস্থিতিত এজন প্ৰাপ্তবয়স্ক কৰ্মীক অতিৰিক্ত সময়ৰ বাবে কাম কৰাৰ বাবে অপেক্ষা কৰিব বা কাম কৰিবলৈ অনুমতি দিয়া হব, উপবন্ধ কৰিব পাৰে ।]

(২) উপধাৰা (১) ৰ (ক) খণ্ডত কোনো কথা অন্তৰ্বিষ্ট সত্ত্বেও যেতিয়া এজন কৰ্মীয়ে, বাগিচাত বন্ধ অবকাশৰ দিন নোহোৱা কোনো বিশ্ৰামৰ দিনত কাম কৰিবলৈ ইচ্ছা কৰে, তেতিয়া এই ধাৰাত থকা কোনো কথাই তেওঁক তেনে কৰাত বাধা নিদিয়ে ঃ

পৰন্তু তেনে কৰোতে যাতে এজন কৰ্মীয়ে এটা সম্পূৰ্ণ অবকাশৰ দিন মাজত নোহোৱাকৈ একেৰাহে দহ দিনৰ অধিক কাল কাম নকৰে ।

---

১। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
২। একে অধিনিয়মৰ দ্বাৰা অন্তঃস্থাপিত ।
৩। একে অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

স্পষ্টীকৰণ - ১। যি ক্ষেত্ৰত কোনো দিনত প্ৰচণ্ড বতাহ, জুই, বৰষুণ বা আন প্ৰাকৃতিক কাৰণত এজন কৰ্মী কোনো বাগিচাত কাম কৰাৰ পৰা বাধাপ্ৰাপ্ত হয়, তেনে ক্ষেত্ৰত তেওঁ তেনে ইচ্ছা কৰিলে সেই দিনটো উপধাৰা (১) ৰ অৰ্থৰ ভিতৰত প্ৰাসঙ্গিক সাত দিন কালৰ তেওঁৰ বিশ্ৰামৰ দিন হিচাপে ব্যৱহাৰ কৰিব পাৰে।

স্পষ্টীকৰণ - ২। ছুটীত অতিবাহিত হোৱা কোনো দিন অন্তৰ্ভুক্ত কৰি যি কৰ্মীৰ নিয়োজনৰ মুঠ কালছোৱা ছয় দিনৰ কম হয়, এই ধাৰাত অন্তৰ্বিষ্ট কোনো কথাই তেনে কোনো কৰ্মীৰ ক্ষেত্ৰত প্ৰযোজ্য নহব ।

বিশ্ৰামৰ বাবে দৈনিক বিৰতি ।

২১। প্ৰত্যেক দিনৰ কামৰ কালছোৱা এনেদৰে স্থিৰ কৰা হব, যে কোনো কালছোৱা পাঁচ ঘন্টাৰ অধিক নহব আৰু কোনো কৰ্মীয়ে অন্ততঃ আধা ঘন্টাৰ বাবে বিশ্ৰামৰ বিৰতি লোৱাৰ পূৰ্বে পাঁচ ঘন্টাৰ অধিক সময়ৰ বাবে কাম নকৰিব।

বিস্তৃতি ।

২২। কোনো বাগিচাত এজন প্ৰাপ্তবয়স্ক কৰ্মীৰ কামৰ সময়ৰ এনেদৰে ব্যৱস্থিত কৰা হব যে ধাৰা [১] [২১]ৰ অধীনত বিশ্ৰামৰ বাবে তেওঁৰ বিৰতি অন্তৰ্ভুক্ত কৰি ই কোনো দিনত কামৰ বাবে অপেক্ষা কৰা সময়খিনি ধৰি বাৰ ঘন্টাধিক কাললৈ বিস্তৃত নহব।

কামৰ কালছোৱাৰ সূচনা ।

২৩। (১) প্ৰত্যেক বাগিচাত প্ৰতি দিনে কৰ্মীসকলে কাম কৰিবলগীয়া কালছোৱা স্পষ্ট ভাবে দেখুৱাই কামৰ কালবোৰৰ এখন সূচনা বিহিত কৰা মতে এনে প্ৰপত্ৰত আৰু এনে ৰীতিৰে প্ৰকাশ কৰিব আৰু শুদ্ধভাবে ৰাখিব লাগিব।

(২) এই অধিনিয়মত অন্তৰ্বিষ্ট অন্যান্য উপবন্ধবোৰ সাপেক্ষে বাগিচাখনত প্ৰকাশ কৰা কামৰ কালছোৱাৰ সূচনাৰ ব্যতিৰেকে কোনো কৰ্মীকে অন্যথা কাম কৰিবলৈ অপেক্ষা কৰিব নোৱাৰিব বা অনুমতি দিয়া নহব।

(৩) কোনো দিনত এজন কৰ্মীয়ে যদি কাম আৰম্ভ হোৱাৰ বাবে ধাৰ্য্য কৰা সময়ৰ আধা ঘন্টাতকৈ অধিক পিচত কামৰ কাৰণে উপস্থিত হয়, তেন্তে নিয়োজকে তেওঁক সেই দিনটোৰ কাৰণে কামত নিয়োজিত কৰিবলৈ অস্বীকাৰ কৰিব পাৰে।

২৪। [২] × × × ×

নাৰী আৰু লৰা-ছোৱালীৰ বাবে নিশাৰ কাম ।

২৫। ৰাজ্য চৰকাৰৰ অনুমতি ব্যতিৰেকে কোনো নাৰী বা শিশু কৰ্মী কোনো বাগিচাত পুৱা ৬ টা আৰু গধুলি ৭ টাৰ মাজৰ সময় ছোৱাৰ বাহিৰে অন্যথা নিয়োজিত নহব ঃ

---

১। ১৯৫৩ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ৪ আৰু অনুসূচী ৪ৰ দ্বাৰা ১৯ৰ বাবে প্ৰতিষ্ঠাপিত।
২। ১৯৮৬ চনৰ ৬১ নং অধিনিয়মৰ দ্বাৰা ধাৰা ২৪ লোপ কৰা হৈছে।

পৰন্তু এই ধাৰাৰ একোৰেই কোনো বাগিচাত এনেদৰে নিয়োজিত হোৱা খাই বা নাচৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা বুলি বিবেচিত নহব।

অল্পবয়স্ক শ্ৰমিক হিচাপে প্ৰতীক লৈ থাকিব।

২৬। ১× × × কোনো শিশুক আৰু কোনো কিশোৰক কোনো বাগিচাত কাম কৰিবলৈ অপেক্ষিত নকৰিব বা অনুমতি দিব নোৱাৰিব যদিহে:-

(ক) তেওঁৰ সম্পৰ্কে ২৭ ধাৰাৰ অধীনত মঞ্জুৰ কৰা এখন যোগ্যতাৰ প্ৰমান পত্ৰ নিয়োজকৰ অভিৰক্ষাত নাথাকে, আৰু

(খ) এনে শিশু বা কিশোৰে তেওঁ কামত থকা সময়ত এনে প্ৰমাণ পত্ৰৰ প্ৰতি নিৰ্দেশ কৰা এটা প্ৰতীক লৈ নুফুৰে।

যোগ্যতাৰ প্ৰমাণ পত্ৰ।

২৭। (১) প্ৰমাণ কৰ্ত্তা শল্য চিকিৎসকে কোনো তৰুণ ব্যক্তি বা তেওঁৰ পিতৃ-মাতৃ বা অভিভাৱকৰ আবেদন ক্ৰমে, যাৰ লগত নিয়োজকৰ দ্বাৰা বা তেওঁৰ হকে অন্য ব্যক্তিৰ দ্বাৰা স্বাক্ষৰিত এই বিষয়ৰ দস্তাবেজ থাকে, যে যদি এনে ব্যক্তি কামৰ কাৰণে যোগ্য প্ৰমাণিত হয় সেই বাগিচাত নিয়োজিত কৰা হব বা কাম কৰিবলৈ ইচ্ছুক কোনো নব যুবকৰ প্ৰতি নিৰ্দ্দেশেৰে নিয়োজকে বা তেওঁৰ হকে, আন কোনো ব্যক্তিৰ আবেদন ক্ৰমে এনে ব্যক্তিক পৰীক্ষা কৰিব আৰু এজন শিশু বা কিশোৰ হিচাপে তেওঁৰ কামৰ বাবে যোগ্যতা নিশ্চিত কৰিব।

(২) এই ধাৰাৰ অধীনত মঞ্জুৰ কৰা যোগ্যতাৰ প্ৰমাণ পত্ৰ ইয়াৰ তাৰিখৰ পৰা বাৰ মাহৰ কালছোৱাৰ বাবে বিধিমান্য হব, কিন্তু এইখন নবীকৃত কৰিব পাৰিব।

(৩) এই ধাৰাৰ অধীনত মঞ্জুৰ কৰা প্ৰমাণ পত্ৰৰ কাৰণে প্ৰদেয় কোনো মাচুল নিয়োজকৰ দ্বাৰা দিয়া হব আৰু তৰুণ ব্যক্তিজন, তেওঁৰ পিতৃ-মাতৃ বা অভিভাৱকৰ পৰা আদায় যোগ্য নহব।

স্বাস্থ্য পৰীক্ষা অপেক্ষিত কৰাৰ ক্ষমতা।

২৮। কোনো পৰিদৰ্শকে যদি তেওঁ তেনে কৰাটো আৱশ্যকীয় বুলি ভাবে, তেন্তে বাগিচাত নিয়োজিত কোনো তৰুণ ব্যক্তিক প্ৰমাণ কৰ্ত্তা শল্য চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰাব পাৰে।

---

১। ১৯৮৬ চনৰ ৬১ নং অধিনিয়মৰ দ্বাৰা "বাৰ বছৰ পূৰ্ণ নোহোৱা" শব্দাৱলী লোপ কৰা হৈছে।

## অধ্যায় - ৬

## মজুৰিসহ ছুটী

এই অধ্যায়ৰ প্ৰয়োগ।

২৯। (১) এই ধাৰাৰ উপবন্ধ সমূহ আন কোনো বিধি বা কোনো অধিনিৰ্ণয়, চুক্তি বা সেৱা - সংবিদাৰ নিবন্ধন সমূহৰ অধীনত এজন কৰ্মী হকদাৰ হোৱা কোনো স্বত্বৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাই প্ৰৱৰ্ত্তিত নহব ঃ

পৰন্তু যি ক্ষেত্ৰত এনে অধিনিৰ্ণয়, চুক্তি বা সেৱা-সংবিদাত এই অধ্যায়ত উপবন্ধিত কৰাতকৈ মজুৰিসহ এটা দীৰ্ঘতৰ ছুটীৰ উপবন্ধ কৰা আছে তেনেক্ষেত্ৰত কৰ্মীজনে কেৱল এনে দীৰ্ঘতৰ ছুটীৰ বাবে হকদাৰ হব।

স্পষ্টীকৰণ - এই অধ্যায়ৰ উদ্দেশ্যে ধাৰা ৩০ ত উপবন্ধিতৰ ব্যতিৰেকে ছুটীয়ে সাপ্তাহিক অবকাশৰ দিন বা উৎসৱৰ বা আন সদৃশ কাৰণত অবকাশৰ দিন অন্তৰ্ভূক্ত নকৰে।

মজুৰি সহ বাৰ্ষিক ছুটী।

৩০। (১) প্ৰত্যেক কৰ্মীক নিম্নলিখিত হাৰত সংগণিত সংখ্যাৰ দিনৰ বাবে মজুৰিসহ ছুটী মঞ্জুৰ কৰা হব ——

(ক) প্ৰাপ্ত বয়স্ক হলে, তেওঁ প্ৰত্যেক বিশ দিন কাম কৰাৰ কাৰণে এদিনৰ, আৰু

(খ) তৰুণ ব্যক্তি হলে তেওঁ প্ৰত্যেক পোন্ধৰ দিন কাম কৰাৰ কাৰণে এদিনৰ।

[১] xxx

[২] [ স্পষ্টীকৰণ - ১ এই উপধাৰাৰ অধীনত ছুটী সংগণনা কৰাৰ উদ্দেশ্যে—

(ক) যি দিনত কোনো কাম কৰা নহয় বা আধা দিনতকৈ কম কাম সম্পাদন কৰা হয় তেনে দিন গণনা নকৰিব, আৰু

(খ) যি দিনত আধা দিনৰ বা আধা দিনতকৈ বেছি কাম সম্পাদন কৰা হয়, তেনে দিন এটা দিন বুলি গণনা কৰিব।]

[৩] [স্পষ্টীকৰণ - ২-এই উপধাৰাৰ অধীনত গ্ৰাহ্য ছুটীত সকলো অবকাশ দিন সন্মিলিত নহব যি ছুটীৰ কালছোৱাৰ ভিতৰত বা ছুটীৰ কালছোৱাৰ আৰম্ভ বা শেষতে পৰক।]

---

১। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ১১ ৰ দ্বাৰা পৰন্তুক লোপ কৰা হৈছে।
২। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ দ্বাৰা সংস্থাপিত।
৩। একে অধিনিয়মৰ দ্বাৰা অন্তঃস্থাপিত।

(২) যদি কোনো কর্মীয়ে বাৰ মাহৰ কোনো এটা কালছোৱাত উপধাৰা (১)ৰ অধীনত তেওঁক মঞ্জুৰ কৰা সম্পূৰ্ণ ছুটী নলয়, তেন্তে তেওঁ নোলোৱা ছুটী সেই উপধাৰাৰ অধীনত পৰৱৰ্তী বাৰ মাহৰ কালছোৱাত তেওঁক মঞ্জুৰ কৰিবলগীয়া ছুটীৰ লগত সংযোগ কৰা হব।

(৩) কোনো কৰ্মীয়ে, তেওঁৰ প্ৰাপ্য হোৱা অৰ্জিত ছুটী ত্ৰিশ দিন হলে, এই ধাৰাৰ অধীনত কোনো ছুটী অৰ্জন কৰিবলৈ এৰিব।

[1] [(৪) যদি নিয়োজকে, কোনো কৰ্মীৰ নিয়োজনৰ, যি এই ধাৰাৰ অধীনত ছুটীৰ বাবে হকদাৰ হৈছে, তেওঁ সম্পূৰ্ণ ছুটী লোৱাৰ আগতে সমাপ্তি ঘটায়, তেওঁ নোলোৱা ছুটীৰ সম্পৰ্কত নিয়োজকে ধাৰা ৩১ৰ অধীনত তেওঁক প্ৰদেয় টকা দিব লাগিব, আৰু এনে সমাপ্তিৰ পিচত দ্বিতীয় কামৰ দিনটো অতিবাহিত হোৱাৰ পূৰ্বে এনে আদায় দিব লাগিব।]

ছুটীৰ কালছোৱাত মজুৰি।

৩১। [2] [(১) ধাৰা ৩০ৰ অধীনত কোনো কৰ্মীক মঞ্জুৰ কৰা ছুটীৰ কাৰণে তেওঁক—

(ক) যদি সম্পূৰ্ণ ৰূপে এটা সময়ৰ হাৰৰ ভিত্তিত, কোনো বিধি বা কোনো অধিনিৰ্ণয়, চুক্তি বা সেৱা-সংবিদাৰ নিবন্ধনৰ অধীনত এনে ছুটীৰ প্ৰাৰম্ভৰ অব্যবহিত পূৰ্বে তেওঁক প্ৰদেয় দৈনিক মজুৰিৰ সমান হাৰত নিয়োগ কৰা হয়, আৰু

(খ) অন্যক্ষেত্ৰত, তেওঁক পূৰ্ববৰ্ত্তী বাৰটা পঞ্জিকা মাহৰ ক্ষেত্ৰত আংশিকভাৱে সময়ৰ হাৰ ভিত্তিত আৰু আংশিকভাৱে কামৰ হাৰৰ ভিত্তিত প্ৰদান কৰা হয় তেনে ক্ষেত্ৰ বিলাক অন্তৰ্ভুক্ত কৰি পূৰ্ববৰ্ত্তী বাৰ মাহত সংগণনা কৰি দৈনিক গড় মজুৰিৰ হাৰত, দিব লাগিব।

স্পষ্টীকৰণ - উপধাৰা (১)ৰ (খ) খণ্ডৰ উদ্দেশ্যে, কোনো অতিৰিক্ত সময়ৰ উপাৰ্জন বা বোনাচ যদি থাকে তাক বাদ দি কিন্তু মৰগীয়া ভাত্তা অন্তৰ্ভুক্ত কৰি, পূৰ্ববৰ্ত্তী বাৰটা পঞ্জিকা মাহৰ ভিতৰত তেওঁৰ মুঠ সম্পূৰ্ণ সময়ৰ উপাৰ্জনৰ ভিত্তিত দৈনিক গড় মজুৰি গণনা কৰা হব।

(১ক) উপধাৰা (১) ত বিনিৰ্দিষ্ট হাৰত ছুটীৰ কালছোৱাৰ মজুৰিৰ উপৰিও কোনো কৰ্মীক খাদ্যৰ নগদ মূল্য আৰু আন সুবিধাসমূহ, যদি থাকে, যিবিলাক নিয়োজকে তেওঁক দৈনিক মজুৰিৰ উপৰি মঞ্জুৰ কৰে, প্ৰদান কৰিব যদিহে ছুটীৰ কালছোৱাত, এই সুবিধাসমূহ অপ্ৰচলিত হৈ নাথায়।]

(২) ধাৰা ৩০ৰ অধীনত যি কৰ্মীক এজন প্ৰাপ্তবয়স্কৰ ক্ষেত্ৰত চাৰিদিন আৰু তৰুণ ব্যক্তিৰ ক্ষেত্ৰত পাঁচদিনৰ [3] [কম নোহোৱা কালছোৱা ]ৰ বাবে ছুটী মঞ্জুৰ কৰা হয় তেওঁৰ ছুটী আৰম্ভ হোৱাৰ পূৰ্বে ছুটী মঞ্জুৰ কৰা কালছোৱাৰ কাৰণে তেওঁক মজুৰি দিব লাগিব।

---

১। ১৯৬০ চনৰ ৩৪ নং অধিনিয়মৰ ৬ ধাৰাৰ দ্বাৰা অন্তৰ্স্থাপিত (২১-১১-১৯৬০ ৰ পৰা প্ৰভাৱী হোৱাকৈ)
২। ১৯৬০ চনৰ ৩৪ নং অধিনিয়মৰ ৭ ধাৰাৰ দ্বাৰা প্ৰতিষ্ঠাপিত (২১-১১-১৯৬৪ ৰ পৰা প্ৰভাৱী হোৱাকৈ)
৩। ১৯৫৩ চনৰ ৪২ নং অধিনিয়মৰ ধাৰা ৪ অনুসূচী IIIৰ দ্বাৰা "কম নোহোৱা কোনো কালৰ" বাবে প্ৰতিষ্ঠাপিত।

ৰুগ্নতা আৰু প্ৰসূতিৰ সুবিধা সমূহ।

[1] ৩২। (১) এই মৰ্ম্মে প্ৰণয়ন কৰা নিয়মাৱলী সাপেক্ষে প্ৰত্যেক কৰ্মীয়ে তেওঁৰ নিয়োজকৰ পৰা —

(ক) অৰ্হতাসম্পন্ন চিকিৎসা ব্যৱসায়ীয়ে প্ৰমাণ পত্ৰ দিয়া ৰোগৰ ক্ষেত্ৰত ৰুগ্নতা ভাত্তা; আৰু

(খ) যদি এগৰাকী নাৰী হয়, তেন্তে প্ৰসৱ অৱস্থা বা প্ৰত্যাশিত প্ৰসৱ অৱস্থাৰ ক্ষেত্ৰত প্ৰসূতি ভাত্তা,

বিহিত্ত কৰা এনে হাৰত এনে কালছোৱাৰ বাবে আৰু এনে বিৰতিত পাবলৈ হকদাৰ হব।

(২) ৰাজ্য চৰকাৰে ৰুগ্নতা বা প্ৰসূতি ভাত্তা প্ৰদান বিনিয়মিত কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে আৰু এনে কোনো নিয়মাৱলীয়ে কেনে পৰিস্থিতিত এনে ভাত্তা দেয় নহয় বা দেয় হবলৈ এৰিব সেই পৰিস্থিতি বিলাক বিনিৰ্দিষ্ট কৰিব পাৰে আৰু এই ধাৰাৰ অধীনত কোনো নিয়ম প্ৰণয়ন কৰোতে, কোনো বাগিচাত নিয়োজকে ব্যৱস্থা কৰা চিকিৎসা সম্বন্ধীয় সুবিধা বিলাকৰ প্ৰতি ৰাজ্য চৰকাৰে যথাযথ লক্ষ্য ৰাখিব।

## [2] [অধ্যায় - ৬ক

## দুৰ্ঘটনা সমূহ

দুৰ্ঘটনাৰ সূচনা।

৩২ক। যিক্ষেত্ৰত কোনো বাগিচাত এনে দুৰ্ঘটনা ঘটে যত কোনো কৰ্মীৰ মৃত্যু হৈ যায় বা যাৰ দ্বাৰা কোনো শাৰীৰিক ক্ষতি হয় যি কাৰণত ক্ষতিগ্ৰস্ত কৰ্মীজন দুৰ্ঘটনা হোৱাৰ অব্যৱহিত পিচৰ আঠচল্লিশ ঘন্টা বা ততোধিক কালছোৱাৰ কাৰণে কাম কৰিব নোৱাৰে বা যিটো এনে প্ৰকৃতিৰ যিটো এই নিমিত্তে বিহিত কৰিব পাৰিব তেনেক্ষেত্ৰত তাৰ নিয়োজকে ইয়াৰ সূচনা এনে প্ৰাধিকাৰী সমূহক বিহিত কৰা এনে প্ৰপত্ৰত আৰু এনে সময়ৰ ভিতৰত প্ৰেৰণ কৰিব।

দুৰ্ঘটনা সমূহৰ পঞ্জী।

৩২খ। নিয়োজকে বাগিচাত ঘটা সকলো দুৰ্ঘটনাৰ এটা পঞ্জী বিহিত কৰা এনে প্ৰপত্ৰত আৰু ৰীতিৰে ৰাখিব।]

---

১। ধাৰা ১ (৩)ত উল্লিখিত কোনো ৰাজ্যৰ প্ৰতিষ্ঠানবোৰ সম্পৰ্কে সেই ৰাজ্যত প্ৰসূতি প্ৰসুবিধা অধিনিয়ম, ১৯৬১ৰ বলবৎ কৰণত ধাৰা ৩২ নিম্নোক্ত ধৰণে সংশোধিত হব ঃ

(ক) (১) উপধাৰাৰ "ৰোগৰ ক্ষেত্ৰত" শব্দ সমূহৰ পূৰ্বৰ শব্দ আৰু বন্ধনী (ক) "ৰুগ্নতা ভাত্তা" শব্দ সমূহৰ পিছৰ " আৰু " শব্দ আৰু দফা (খ) বাদ দিয়া হৈছে।

(খ) উপধাৰা (২)ত শব্দ সমূহ " বা প্ৰসূতি" বাদ দিয়া হৈছে।

২। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ১২ৰ দ্বাৰা অন্তঃস্থাপিত।

# অধ্যায় - ৭

## দণ্ড আৰু প্ৰক্ৰিয়া

বাধাদান।

৩৩। (১) যিয়েই এই অধিনিয়মৰ অধীনত কোনো পৰিদৰ্শকক তেওঁৰ কৰ্ত্তব্য সম্পাদন কৰাত বাধা দিয়ে বা কোনো বাগিচা সম্পৰ্কে এই অধিনিয়মৰ অধীনত বা এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত কোনো পৰিদৰ্শন, পৰীক্ষা বা অনুসন্ধান কৰাত পৰিদৰ্শক জনক যুক্তিসঙ্গত সুবিধা দিবলৈ অস্বীকাৰ কৰে বা ইচ্ছাকৃত ভাবে অবহেলা কৰে, তেওঁ তিনি মাহলৈকে বিস্তৃত হব পৰা মিয়াদৰ বাবে কাৰাবাসৰে বা পাচঁশ টকালৈকে বিস্তৃত হব পৰা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হব।

(২) যিয়েই পৰিদৰ্শকৰ অভিযাচন ক্ৰমে এই অধিনিয়মানুসাৰে ৰখা কোনো পঞ্জী বা আন দস্তাবেজ উপস্থাপন কৰিবলৈ ইচ্ছাকৃত ভাবে অস্বীকাৰ কৰে বা এই অধিনিয়মৰ অধীনত তেওঁৰ কৰ্ত্তব্যানুসাৰে কাম কৰা কোনো পৰিদৰ্শকৰ সন্মুখত হাজিৰ হোৱাত আৰু পৰিদৰ্শকৰ দ্বাৰা কোনো ব্যক্তিক পৰীক্ষা কৰাত বাধা দিয়ে বা বাধা দিবলৈ চেষ্টা কৰে, বা এনে কোনো কাম কৰে, যিটোৱে কোনো ব্যক্তিক বাধা দিব পৰাৰ সম্ভাবনা আছে বুলি তেওঁৰ বিশ্বাস কৰাৰ কাৰণ থাকে, তেওঁ তিনি মাহলৈ বিস্তৃত হব পৰা মিয়াদৰ বাবে কাৰাবাসৰে বা পাচঁশ টকালৈকে বিস্তৃত হবপৰা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হব।

যোগ্যতাৰ মিছা প্ৰমাণ পত্ৰ ব্যৱহাৰ।

৩৪। যিয়েই জানি শুনি ২৭ ধাৰাৰ অধীনত আন এজনক মঞ্জুৰ কৰা এখন প্ৰমাণ পত্ৰ, সেই ধাৰাৰ অধীনত তেওঁ নিজক মঞ্জুৰ কৰা প্ৰমাণপত্ৰ হিচাবে ব্যৱহাৰ কৰে, বা ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰে বা তেওঁ নিজক মঞ্জুৰ কৰা এখন যোগ্যতাৰ প্ৰমাণ পত্ৰ জানি শুনি আন এজন ব্যক্তিৰ দ্বাৰা ব্যৱহৃত হবলৈ অনুমতি দিয়ে বা ব্যৱহৃত হবলৈ চেষ্টা কৰাত অনুমতি দিয়ে, তেওঁ এমাহলৈ বিস্তৃত হব পৰা কাৰবাসৰে বা পঞ্চাশ টকালৈকে বিস্তৃত হব পৰা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হব।

শ্ৰমিকৰ নিয়োজন সম্পৰ্কে উপবন্ধ সমূহৰ উলঙ্ঘন।

৩৫। যিয়েই এই অধিনিয়মৰ দ্বাৰা বা এই অধিনিয়মৰ অধীনত অন্যথা অনুমতি প্ৰাপ্ত ব্যতিৰেকে বাগিচাত ব্যক্তিসমূহৰ নিয়োগ নিষেধ কৰা, নিয়ন্ত্ৰিত কৰা বা বিনিয়মিত কৰা এই অধিনিয়মৰ কোনো উপবন্ধ বা তাৰ অধীনত প্ৰণীত কোনো নিয়ম উলঙ্ঘন কৰে, তেওঁ তিনি মাহলৈ বিস্তৃত হব পৰা মিয়াদৰ বাবে কাৰাবাসৰে বা পাচঁশ টকালৈকে বিস্তৃত হব পৰা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হব।

আন অপৰাধ সমূহ।

৩৬। যিয়েই এই অধিনিয়মৰ কোনো উপবন্ধ বা তাৰ অধীনত প্ৰণীত কোনো নিয়ম উলঙ্ঘন কৰে, যাৰ কাৰণে এই অধিনিয়মৰ দ্বাৰা বা অধীনত আন ঠাইত আন কোনো দণ্ডৰ উপবন্ধ কৰা হোৱা নাই, তেওঁ তিনি মাহলৈ বিস্তৃত হব পৰা মিয়াদৰ বাবে কাৰাবাসৰে বা পাচঁশ টকা লৈকে বিস্তৃত হব পৰা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হব।

**পূৰ্বে দোষী সাব্যস্ত হোৱাৰ পিচত বৰ্দ্ধিত দণ্ড।**

৩৭। এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধত দোষী সাব্যস্ত হোৱা কোনো ব্যক্তিয়ে, যদি সেই একেই উপবন্ধৰ এটা উলঙ্ঘন জড়িত এটা অপৰাধত পুনৰ দোষী হয়, তেওঁ পৰৱৰ্ত্তী দোষী সাব্যস্তকৰণত ছয় মাহলৈ বিস্তৃত হব পৰা কাৰাবাসৰে বা এহেজাৰ টকালৈকে বিস্তৃত হব পৰা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হব ঃ

পৰন্তু এই ধাৰাৰ উদ্দেশ্যে, যি অপৰাধটোৰ বাবে দণ্ড বিহা হৈছে, সেই অপৰাধ সংঘটনৰ দুবছৰতকৈ অধিক পূৰ্বে কৰা কোনো দোষী সাব্যস্ত কৰণৰ সংজ্ঞান নলব।

**ন্যায়ালয়ৰ আদেশ দিয়াৰ ক্ষমতা।**

[1][৩৭ক (১) যি ক্ষেত্ৰত কোনো নিয়োজক ধাৰা ৩৬ৰ অধীনত কোনো অপৰাধত দোষী সাব্যস্ত হয়, আৰু ন্যায়ালয়ে কোনো দণ্ড দিয়াৰ উপৰিও, আদেশৰ দ্বাৰা লিখিত ভাবে আদেশত বিনিৰ্দ্দিষ্ট কৰা এনে কালছোৱাৰ ভিতৰত (যিটো ন্যায়ালয়ে উপযুক্ত বুলি ভাবিলে আৰু এই নিমিত্তে নিয়োজকৰ আবেদন ক্ৰমে, বঢ়াই দিব পাৰে ) অপৰাধটো সংঘটিত কৰা বিষয়টোৰ প্ৰতিকাৰৰ বাবে বিনিৰ্দ্দিষ্ট এনে ব্যৱস্থা সমূহ গ্ৰহণ কৰিবলৈ অপেক্ষা কৰিব পাৰিব।

(২) যি ক্ষেত্ৰত উপধাৰা (১)ৰ অধীনত এটা আদেশ দিয়া হৈছে, তাত নিয়োজকে ন্যায়ালয়ৰ দ্বাৰা বিনিৰ্দ্দিষ্ট, যথাস্থিতি, কালছোৱা বা বঢ়াই দিয়া কালছোৱাৰ ভিতৰত অপৰাধটো কৰি থকাৰ কাৰণত এই অধিনিয়মৰ অধীনত দায়ী নহব,

কিন্তু যদি এনে কালছোৱা বা বঢ়াই দিয়া কালছোৱাৰ সমাপ্তিত ন্যায়ালয়ৰ আদেশ সম্পূৰ্ণৰূপে অনুপালন কৰা নাই, নিয়োজকে অতিৰিক্ত অপৰাধ সংঘটিত কৰা বুলি গণ্য কৰা হব আৰু তেওঁ দোষী সাব্যস্ত কৰণত ছয় মাহ পৰ্য্যন্ত বিস্তৃত হব পৰা কাৰাবাসৰে আৰু এনে সমাপ্তিৰ পিছত প্ৰতিদিনৰ বাবে তিনি শ টকা পৰ্য্যন্ত বিস্তৃত হব পৰা জৰিমনাৰে দণ্ডনীয় হব।]

**কিছুমান ক্ষেত্ৰত দায়িত্বৰ পৰা নিয়োজকৰ অব্যাহতি।**

৩৮। যেতিয়া এই অধিনিয়মৰ অধীনত এটা অপৰাধত দোষাৰোপিত এজন নিয়োজকে আন এজন ব্যক্তি প্ৰকৃততে অপৰাধী বুলি অভিকথিত কৰে তেওঁ তেনে কৰাৰ অভিপ্ৰায়ৰ বিষয়ে অভিযোক্তাক স্পষ্ট তিনি দিনৰ লিখিত সূচনা দিয়াৰ পিচত এই মৰ্মে কৰা অভিযোগত গোচৰটো শুনানিৰ কাৰণে ধাৰ্য্য কৰা দিনত সেই আন ব্যক্তিজনক ন্যায়ালয়ৰ সন্মুখলৈ আনিবলৈ হকদাৰ হব, আৰু যদি অপৰাধটোৰ সংঘটন প্ৰমাণ কৰাৰ পিচত নিয়োজকে ন্যায়ালয়ৰ সন্তুষ্টি মতে প্ৰমাণ কৰে যে, —

(ক) তেওঁ এই অধিনিয়মৰ সু-সঙ্গত উপবন্ধ বিলাক কাৰ্য্যকৰী কৰাত যথাযথ তৎপৰতা প্ৰয়োগ কৰিছে ; আৰু

(খ) তেওঁৰ জ্ঞান, সন্মতি বা মৌন সন্মতি নোহোৱাকৈ প্ৰশ্নাধীন অপৰাধটো আন ব্যক্তিজনে সংঘটিত কৰিছে ;

---

১। বাগিচা শ্ৰম (সংশোধন) অধিনিয়ম, ১৯৮১ৰ ধাৰা ১৩ৰ দ্বাৰা অন্তঃস্থাপিত।

তেন্তে সেই আন ব্যক্তিজনক অপৰাধটোৰ বাবে দোষী সাব্যস্ত কৰা হব আৰু সেই একেই দণ্ডৰ বাবে দায়ী হব, যেন--

তেওঁ নিয়োজকহে আৰু নিয়োজকজনে খালাচ পাব ঃ
পৰন্তু--

(ক) নিয়োজকজনক শপত লোৱাই পৰীক্ষা কৰিব পাৰিব আৰু তেওঁৰ আৰু তেওঁৰ সমৰ্থনত তেওঁ মতা কোনো সাক্ষীৰ সাক্ষ্য তেওঁ প্ৰকৃত দোষী বুলি দোষাৰোপ কৰা ব্যক্তিজনৰ হৈ আৰু অভিযোক্তাৰ দ্বাৰা কৰা জেৰাৰ অধীন হব, আৰু

(খ) যদি, যথাযথ তৎপৰতা সত্বেও প্ৰকৃত দোষী বুলি অভিকথিত কৰা ব্যক্তিজনক গোচৰটো শুনানিৰ বাবে নিয়ত কৰা দিনত ন্যায়ালয়ৰ সন্মুখলৈ আনিব পৰা নাযায়, ন্যায়ালয়ে সময়ে সময়ে তাৰ শুনানি স্থগিত ৰাখিব, যাতে এনে স্থগিতকৰণৰ মুঠ কালছোৱা তিনি মাহৰ অধিক নহয় আৰু যদি উক্ত কালছোৱাৰ অন্তত প্ৰকৃত অপৰাধী বুলি অভিকথিত কৰা ব্যক্তিজনক ন্যায়ালয়ৰ সন্মুখলৈ আনিব পৰা নাযায়, ন্যায়ালয়ে নিয়োজকৰ বিপক্ষে গোচৰটো শুনিবলৈ অগ্ৰসৰ হব ।

অপৰাধ বিলাকৰ সংজ্ঞান ।

৩৯। কেৱল মুখ্য পৰিদৰ্শকৰ গোচৰ ক্ৰমে বা মুখ্য পৰিদৰ্শকৰ পূৰ্ববৰ্ত্তী লিখিত সংমোদন ব্যতিৰেকে কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ সংজ্ঞান নলব আৰু প্ৰেচিডেন্সী দণ্ডাধীশ বা দ্বিতীয় শ্ৰেণীৰ দণ্ডাধীশৰ নিম্নতৰ কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ বিচাৰ নকৰিব ।

অভিযোজনৰ পৰিসীমা ।

৪০। কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ সংজ্ঞান নলব যদিহে অভিকথিত অপৰাধটোৰ বিষয়ে এজন পৰিদৰ্শক জ্ঞাত হোৱা তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত তাৰ গোচৰ দিয়া নহয় ঃ

পৰন্তু যেতিয়া অপৰাধটো কোনো পৰিদৰ্শকৰ লিখিত আদেশ অমান্য কৰণেৰে গঠিত হয়, অপৰাধটো সংঘটিত কৰা বুলি অভিকথিত তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত, সেই গোচৰটো দিব পাৰিব ।

## অধ্যায় - ৮

## বিবিধ

নিৰ্দ্দেশ দিয়াৰ ক্ষমতা ।

৪১। কেন্দ্ৰীয় চৰকাৰে কোনো ৰাজ্য চৰকাৰক এই অধিনিয়মত থকা উপবন্ধবিলাক ৰাজ্যখনত কাৰ্য্যকৰী কৰাৰ সম্পৰ্কে নিৰ্দ্দেশ দিব পাৰে ।

ৰেহাই দিয়াৰ ক্ষমতা ।

৪২। ৰাজ্য চৰকাৰে লিখিত আদেশেৰে আৰোপ কৰিবলৈ উচিত যেন দেখা এনে চৰ্ত্ত আৰু নিৰ্বন্ধন সমূহ সাপেক্ষে কোনো নিয়োজকৰ বা নিয়োজকৰ শ্ৰেণীক, এই অধিনিয়মৰ সকলোবোৰ বা কোনো উপবন্ধৰ পৰা ৰেহাই দিব পাৰে ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ববৰ্ত্তী অনুমোদন ব্যতিৰেকে [১]ধাৰা ১৯ৰ পৰা কোনো ৰেহাইত বাহিৰে ] এনে কোনো ৰেহাই নিদিব ।

নিয়মাৱলী প্ৰণয়ন কৰাৰ সাধাৰণ ক্ষমতা ।

৪৩। (১) ৰাজ্য চৰকাৰে পূৰ্ব প্ৰকাশনৰ চৰ্ত্ত সাপেক্ষে, এই অধিনিয়মৰ উদ্দেশ্য সমূহ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭ৰ ২৩ ধাৰাৰ (৩) খণ্ডত বিনিৰ্দ্দিষ্ট কৰিবলগীয়া তাৰিখটো প্ৰস্তাৱিত নিয়মাৱলীৰ খচৰা খন প্ৰকাশ কৰাৰ তাৰিখৰ পৰা ছয় সপ্তাহৰ কম নহব । ১৮৯৭ ৰ ১০

(২) বিশেষকৈ আৰু পূৰ্ববৰ্ত্তী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ এনে কোনো নিয়মে--

(ক) মুখ্য পৰিদৰ্শক আৰু পৰিদৰ্শকৰ সম্পৰ্কত অপেক্ষিত অৰ্হতাসমূহ ;

(খ) পৰিদৰ্শক বিলাকে প্ৰয়োগ কৰিব পৰা ক্ষমতা সমূহ আৰু যি অঞ্চলত আৰু যি ৰীতিৰে এনে ক্ষমতাবিলাক প্ৰয়োগ কৰিব পাৰিব সেই অঞ্চল আৰু ৰীতিসমূহ ;

(গ) প্ৰমাণকৰ্ত্তা শল্য চিকিৎসকে প্ৰয়োগ কৰিব পৰা চিকিৎসা সম্বন্ধীয় তদাৰক ;

(ঘ). পৰিদৰ্শক বা আন ব্যক্তিসকলৰ দ্বাৰা বাগিচাত খোৱাপানীৰ যোগান আৰু বিতৰণৰ পৰীক্ষা ;

(ঙ) মুখ্য পৰিদৰ্শক বা পৰিদৰ্শকৰ কোনো আদেশৰ পৰা আপীলবিলাক আৰু যি প্ৰপত্ৰত যি সময়ৰ ভিতৰত আৰু যি প্ৰাধিকাৰীলৈ এনে আপীল সমূহ কৰিব পাৰিব সেই প্ৰপত্ৰত, সেই সময় আৰু সেই প্ৰাধিকাৰী সকল ;

(চ) কোন সময়ৰ ভিতৰত এই অধিনিয়মৰ দ্বাৰা উপবন্ধ কৰিবলৈ আৰু ৰাখিবলৈ অপেক্ষিত গৃহ, বিশ্ৰাম, শিক্ষা বা আন সা-সুবিধা বিলাক সেই দৰে উপবন্ধিত কৰিব পাৰিব ;

(ছ) বাগিচাত ৰাখিবলগীয়া পায়খানা আৰু পেচাব খানাৰ প্ৰকাৰ বিলাক ;

(জ) বাগিচাত ব্যৱস্থা কৰিবলগীয়া চিকিৎসা, বিশ্ৰাম আৰু শিক্ষা সম্বন্ধীয় সা-সুবিধা বিলাক ;

(ঝ) যি প্ৰপত্ৰ আৰু যি ৰীতিৰে কামৰ কালছোৱাৰ সূচনাসমূহ প্ৰদৰ্শন কৰা হব আৰু ৰাখিথোৱা হব, সেই প্ৰপত্ৰ আৰু তাৰ ৰীতি ;

---

১ ১৯৬০ চনৰ ৩৪ নং অধিনিয়মৰ ৮ ধাৰাৰ দ্বাৰা অন্তঃ স্থাপিত (২১-১১-১৯৬০ৰ পৰা প্ৰভাৱী হোৱাকৈ) ।

(ঞ) নিয়োজকে ৰাখিবলগীয়া পঞ্জী বিলাক আৰু ৰাজ্য চৰকাৰৰ বিবেচনাত এই অধিনিয়মৰ উদ্দেশ্যে অপেক্ষিত হোৱা কদাচিতেই হওক বা সাময়িকেই হওক প্ৰবিৱৰণবিলাক ;

(ট) মজুৰি আৰু অতিৰিক্ত সময়ৰ উদ্দেশ্যে এটা সাধাৰণ কৰ্ম দিনৰ কাৰণে কামৰ সময় নিৰূপণৰ বাবে উপবন্ধ কৰিব পাৰে ;

(ঠ) বিহিত কৰিবলৈ অপেক্ষিত বা বিহিত কৰিব পৰা আন কোনো বিষয় ।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত সকলো নিয়ম, যদি কেন্দ্ৰীয় চৰকাৰৰ বাহিৰে আন চৰকাৰৰ দ্বাৰা কৰা হয়, তেন্তে সেই বিলাক কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ববৰ্ত্তী অনুমোদন সাপেক্ষে হব ।